কালামুল ইছলাম- ৭



مسائل وفضائل صلوۃ الجنازہ وغیرہ



# মাছাইল ৱা ফাজ্বাঈলে স্বালাতুল যানাঝা ৱা গ্বাইৰহ

pdf By Syed Mostafa Sakib





محمد فاروق عبدالله نوری

সম্পাদনা

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

৭৮৬/৯২

# মাছাইল ৱা
# ফাজ্বাঈলে স্বালাতুল যানাঝা
# ৱা গ্বাইৰহ



pdf By Syed Mostafa Sakib

সম্পাদনা

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

pdf By Syed Mostafa Sakib

'Masail wa Fadzail-e-Swalatul Janazah wa gairah' : A book-let compiled by **Muhd. Faruk Abdullah Noori**, Muslimghopa, Darrang on Islamic funeral rituals on the occasion of celebration of 'Salisah' of Marhum Alhaz Tafazzul Hoque and Published by **'Raza Foundation'** Muslimghopa, Sipajhar, Darrang (Assam)

কিতাপৰ নাম : মাছাইল ৱা ফাজ্বাঈলে স্বালাতুল যানাঝা ৱা গ্বাইৰহ

১ম প্ৰকাশ : ১৭ আগষ্ট, ২০১৪ খ্ৰীঃ

পৃষ্ঠপোষক : মুছাম্মৎ ৰেণুকা বেগম আৰু পৰিয়ালবৰ্গ
মুছলিমঘোপা, কলাঠাচুবা (দৰং)

লেখক : খাঁকপায়ে ৰাজা মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
ভ্ৰাম্যভাষ— ৯৮৫৪৮০৭০৪১
E-mail: Farukabdullahnoori@gmail.com

পৰামৰ্শদাতা : মুফ্‌তীয়ে আ'যম বাঙ্গাল শ্বাইখ মুসাম্মদ গোলাম ছামদানী ৰিজৱী চাহেব, মুৰ্শিদাবাদ (পশ্চিমবঙ্গ)

© : লেখকৰ দ্বাৰা সৰ্বস্বত্ত সংৰক্ষিত

প্ৰকাশক : 'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
ডাক সূচাংক- ৭৮৪১৪৫, স্থাপিত- ইং ২০০৬ চন

মুখ্য নিৰীক্ষক : হযৰত মাওলানা ক্বাৰী মুসাম্মদ আব্দুল হক ৰিজৱী চাহেব
শিক্ষক, আ'লা হযৰত একাডেমী, মঙলদৈ, দৰং

প্ৰচ্ছদ : মুসাম্মদ ৰফিকুল ইছলাম

মুদ্ৰণ : পাৰামাউন্ট অফছেট, বৰদৌলগুৰি, দৰং (অসম)
ভ্ৰাম্যভাষ- ৯৮৫৪০৪৬৩৮৩

ছুন্নী দ্বীনী Internet সেৱা- Internetত ল'গ অন কৰক Amarislam.com, Madina24.com, yanabi.com, ja-alhaq.com আৰু ইয়াৰ জৰিয়তে আপুনি লাভ কৰিব ছুন্নী মাছআলা-মাছাইল, ইছলামী গ্ৰন্থ আদি বঙালী ভাষাত।

## ঈছালে চাৱাব

*মোৰ শ্ৰদ্ধাৰ বৰ আব্বা মৰহুম আলহাজ তফজ্জুল হক চাহেব, যি ইছলাম আৰু ছুন্নত তথা আল্লাহ আৰু প্ৰিয়নবী হুজুৰ ৰসূলতে আ'লম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ প্ৰেমেৰে এক আদৰ্শ জীৱন যাপন কৰিছিল আৰু মোৰ ক্ষেত্ৰত মহামূল্যবান পৰামৰ্শ, প্ৰেৰণা আৰু আশ্ৰয় প্ৰদানেৰে এক অভিভাৱকৰ ভূমিকা পালন কৰিছিল। তেওঁৰ মাগ্‌ফিৰাতৰ বাবে এই পুস্তিকাখনি উচৰ্গা কৰা হ'ল। আল্লাহ পাকে তেখেতক মাগ্‌ফিৰাত দান কৰি যান্নাত নচিব কৰক লগতে তেওঁলোকৰ ইন্তেকাল হৈ যোৱা বংশ পৰিয়ালৰ বাবে এই খিদ্‌মত ঈছালে চৱাব হিচাপে পৰিগণিত হওক। আল্লাহৰ ওচৰত আমাৰ এই নিয়ত। আল্লাহ পাকে আমাৰ এই কাৰ্য ক্বুবুল কৰে যেন। আ-মীন।*

*—লেখক*

pdf By Syed Mostafa Sakib

# আলহাজ মৰহুম তফজ্জুল হক চাহেবৰ চমু পৰিচয়

আলহাজ মৰহুম তফজ্জুল হক চাহেবৰ জন্ম হয় মুছলিমঘোপা গাঁৱৰ কলাঠাচুবাত ১৯৪০ চনৰ ২ মে' তাৰিখে। তেখেতৰ পিতৃৰ নাম মৰহুম ইছাহাৰ আ'লী (পণ্ডিত) আৰু মাতৃ মৰহুমা নফিছা খাতুন। তেখেতৰ পিতৃৰ পিতৃ মৰহুম আদৰু চেখ (মেনা)। প্ৰাথমিক শিক্ষা তেখেতে সাং কৰাৰ পিছত মজলীয়া আৰু মাধ্যমিক শিক্ষা পাথৰিঘাট হাইস্কুল (বৰ্তমান পাথৰিঘাট উঃ মাঃ বিঃ)ৰ পৰা সম্পন্ন কৰে। তাৰ পিছতে তেখেতে কৰ্ম জীৱন আৰম্ভ কৰে। অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ মহৰী পদত ১-১০-১৯৬৯ তাৰিখে নিযুক্তি লাভ কৰে আৰু অসমৰ বিভিন্ন স্থানৰ চৰকাৰী কাৰ্যালয় সমূহত সেৱা আগবঢ়ায়। অতি সাত্বিক স্বভাৱৰ শ্ৰদ্ধেয় বৰ আব্বাই চাকৰি জীৱনত সকলো ধৰণৰ গাফিলতিৰ পৰা নিজকে বিৰত ৰাখি হালাল উপাৰ্জনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সম্পূৰ্ণ ৩৮ বছৰ কাল নিষ্ঠাৰে তেখেতে সেৱা আগবঢ়োৱাৰ পিছত ইং ৩১-১০-২০০৭ তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু ইয়াৰ পিছত ২০০৯ চনতে হজ্জ ব্ৰতো পালন কৰে।

বৈবাহিক জীৱন ঃ ইং ৮-৪-১৯৭২ (২৫ চ'ত)ত তেখেতে শান্তিপুখুৰী গাঁৱৰ মৰহুম মাহজুল্লা চেখৰ জীয়ৰী ৰেণুকা বেগমৰ লগত বিবাহপাশত আবদ্ধ হয়। যুগ্ম জীৱনৰ স্বাক্ষৰ ৰূপে তেওঁলোকৰ মাজলৈ আল্লাহ পাকে দুটি সন্তান দান কৰে। তেওঁলোক ক্ৰমে মিছ হেলিমা ছিদ্দীকা আহমেদ আৰু মঃ আবুবক্কৰ ছিদ্দীক। ছোৱালীজনী মুছলিমঘোপা নিবাসী মৰহুম আলহাজ চমছেৰ আলী চাহেবৰ তৃতীয় সন্তান মঃ আব্দুল লটিফ চাহেবৰ লগত বিয়া দিয়ে। বৰ্তমান তেওঁলোকৰ দুটি সন্তান আছে। তেওঁলোক ক্ৰমে- ফাহ্‌মিদা ছিদ্দীকা নাৰ্গিছ আৰু মাহ্‌ফুজ আ'লমগীৰ। ল'ৰাজনৰো মুছলিমঘোপা নিবাসী মঃ নূৰ মহম্মদ চাহেবৰ ছোৱালী মিছ চাবিনা ছিদ্দীকাৰ লগত বিবাহকাৰ্য সম্পন্ন কৰাই দিয়ে। বৰ্তমান তেওঁলোকৰ দুটি সন্তান আছে। তেওঁলোক ক্ৰমে- আ'লী বিন আবু ছিদ্দীক আৰু ফাৰহান নাৱাজ ছিদ্দীক। চাকৰিৰ পৰা অৱসৰৰ পিছত তেখেতে আধ্যাত্মিকতাৰ পিনে অধিক পৰিমাণে ঢাল খায় আৰু বিভিন্ন ইছলামী গ্ৰন্থৰাজী অধ্যয়নত গুৰুত্ব প্ৰদান কৰে। উল্লেখ্য যে তেখেতে হজ্জকাৰ্য সম্পন্ন কৰাৰ পিছত ঘূৰি আহি হজ্জ সম্পৰ্কীয় অভিজ্ঞতাৰ ভিত্তিত এখনি গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। বৰ্তমান এইখন পাণ্ডুলিপি অৱস্থাতে আছে। ইয়াৰ উপৰিও 'নিয়মীয়া বাৰ্তা' কাকত, 'নূৰে আ'লম', 'আছ্ শ্বামছ' স্মৃতিগ্ৰন্থত তেখেতৰ লেখা প্ৰকাশ হৈছিল। মৃত্যুৰ ছমাহ আগৰ পৰাই তেখেতে অসুস্থতা অনুভৱ কৰে আৰু আল্লাহৰ ওচৰলৈ যাবৰ কাৰণে সকলো দিশৰ পৰা সাজু হয়। যোৱা ৪ জুলাই, ২০১৪ (৫ ৰমজান) তাৰিখ শুক্ৰবাৰে সন্ধিয়া ৭-৫৫ বজাত ইন্তেকাল হয়। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজীউ'ন। আল্লাহ পাকে তেখেতক মাগ্‌ফিৰাত দান কৰক। আ-মীন।

— লেখক

# অভিমত

বিছ্‌মিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম

"আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ওৱা মাওলানা মুসাম্মাদ, ওৱা আলিহি ওৱা আস্‌সাবিহি আয্‌মাঈ'ন।"

যানাৰো নামাজৰ লৈতে জড়িত মাছাইল আৰু যজ্জীলত সমূহ সম্পৰ্কে লিখি উলিওৱা এই পুস্তিকাখনি পাণ্ডুলিপি অৱস্থাতে বিশিষ্ট ইছলামী প্ৰবন্ধকাৰ, লেখক, চিন্তাবিদ মোৰ অতি মৰমৰ মুসাম্মদ খাৰুক আব্দুল্লাহ নূৰীয়ে দেখুৱালে। পুস্তিকাখনি উপযুক্ত সময়ত প্ৰাসংগিকভাৱে প্ৰকাশ হৈ ওলাইছে। অৱশ্যে ইয়াৰ আগৰ পৰাই এই ধৰণৰ পুস্তিকা এখনি সাধাৰণ মানুহে বুজি পোৱাকৈ আৰু বুজি পাব পৰাকৈ প্ৰকাশ হৈ ওলোৱাটো খুবেই প্ৰয়োজন আছিল। পিছে নূৰী চাহেবৰ প্ৰচেষ্টাত প্ৰয়োজন পূৰ হ'ল। কলেবৰ আৰু বৃদ্ধি কৰিব পৰা অৱস্থাত আছে। আশা ৰাখিছো নূৰী চাহেবে পৰৱৰ্তী সময়ত পুনৰ প্ৰকাশৰ যো-জা কৰিব আৰু ইয়াৰে সংবৰ্দ্ধিত আৰু সংশোধিত (প্ৰয়োজন হ'লে) ৰূপত ইয়াকে আকৌ উলিয়াব।

দৰকাৰী মাছাইল আৰু খাজাঈল সমূহ ইয়াত সন্নিবিষ্ট কৰা দেখা গৈছে। ৰাইজে তথা পঢ়ুৱৈ সমাজে হাতত পৰাৰ লগে লগেই ইয়াৰে অধ্যয়নযোগে উপকৃত হ'ব পাৰিব বুলি আমাৰ বিশ্বাস।

নূৰী চাহেবৰ ইতিমধ্যে 'অসমীয়া খবৰ', 'দৈনিক অগ্ৰদূত', 'নিয়মীয়া বাৰ্তা', 'দৈনিক গণ অধিকাৰ', 'মুক্তকণ্ঠ' আদি কাকতৰ লগতে বিভিন্ন আলোচনী-পত্ৰিকাত তথ্যগধূৰ লেখা প্ৰকাশ হৈছে। ইয়াৰে উপৰিও নূৰী চাহেবৰ 'কুৰআন-হাদীচৰ আলোকত ইল্‌মে গায়েবৰ আক্বীদাহ', 'ইছলামত সংস্কাৰবাদ', 'ঈদে মীলাদুন্নবী (স্বাঃ)', 'তব্‌লীগ জামাআ'ত', 'উত্তৰ জীৱনজ্যোতি-১ম খণ্ড' গ্ৰন্থ প্ৰকাশ হৈছে।

আল্লাহ পাকে লেখকৰ নেক নিয়ত কবুল কৰক আৰু ৰাইজক দ্বীন ইছলামৰ পিনে আগুৱাই আহিবলৈ সহায় কৰক। আ-মীন।

(আলহাজ মাওলানা) মুসাম্মদ ইক্ৰামূল মজিদ
মুছলিমঘোপা, দৰং
তাং- ১৩-০৮-২০১৪ খ্ৰীঃ

pdf By Syed Mostafa Sakib

# ভূমিকা

*বিছ্‌মিল্লাহিৰ ৰাহ্‌মানিৰ ৰাহীম*

*নাহ্‌মাদুহু ৱা নুছাল্লি আ'লা ৰাছুলিহিল কাৰীম*

আম্মা বাঅ'দ। বহুদিন আগৰ পৰাই যানাঝা নামাজৰ মাছাইল আৰু ফাজ্বাঈল সম্পৰ্কে কিতাপত লিপিবদ্ধ থকা আৰু সমাজত ইতিমধ্যে প্ৰকাশ পোৱা আৰু প্ৰকাশ নোপোৱা কথাবোৰ অসমীয়া ভাষাত কিতাপ আকাৰে লিখি প্ৰকাশ কৰাৰ বাসনা এটি জাগ্ৰত হৈ আছিল। আল্লাহৰ হুকুম মোৰ শ্ৰদ্ধেয় বৰ আব্বা আলহাজ মুসাম্মদ তফজ্জুল হক চাহেব যোৱা ৪ জুলাই, ২০১৪ (৫ ৰমজ্বান) তাৰিখ শুক্ৰবাৰে সন্ধিয়া ৭-৫৫ বজাত ইন্তেকাল হয়। তেখেত মোৰ বাবে একেধাৰে অভিভাৱক, পৰামৰ্শদাতা, প্ৰেৰণাদাতা আৰু বিপদৰ বন্ধুৰ দৰে আছিল। জীৱিত অৱস্থাত এখেতৰ সৈতে আমি ইছলামৰ আটাইবোৰ দিশ সম্পৰ্কে আলোচনা কৰিছিলো আৰু কেনেকৈ ইছলামী আন্দোলনটো জন্মস্থানখনিৰ পৰা ক্ৰমে বিশ্ব দৰবাৰলৈ আগুৱাই নিব পাৰি সেই সম্পৰ্কে যথেষ্ট গভীৰ আলোচনাত লিপ্ত হৈছিলো। পিছে আল্লাহ পাকে তেখেতক আমাৰ মাজৰ পৰা লৈ গ'ল। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজীউ'ন।

আজি তেখেতৰ ঈছালে চাৱাবৰ বাবে 'চালিছা' পালন কৰা হৈছে। তদুপলক্ষে এখনি সোঁৱৰণী গ্ৰন্থ পৰিয়ালবৰ্গই প্ৰকাশ কৰি উলিয়াবলৈ ইচ্ছা প্ৰকাশ কৰাত আমি আলোচনা মৰ্মে এই বিষয়ক পুস্তিকাখনিকে তেখেতৰ সোঁৱৰণ আৰু ঈছালে চাৱাবৰ উদ্দেশ্যে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলোঁ। আশা ৰাখিছো এই পুস্তিকাখনিৰ মাধ্যমেৰে সৰ্বসাধাৰণ ৰাইজ উপকৃত হ'ব আৰু পৰৱৰ্তী সময়লৈ পুংখানুপুংখভাৱে যানাঝা নামাজ সম্পৰ্কত লুকায়িত তথ্যবোৰ বিভিন্ন গ্ৰন্থৰ পৰা সংগ্ৰহ কৰি ইন্‌শ্বাআল্লাহ প্ৰকাশ কৰাৰ চেষ্টা কৰা হ'ব।

আল্লাহ পাকে আমাৰ এই মেহনত ক্বুবুল কৰাৰ কামনা কৰিলোঁ। এই চেগতে পুস্তিকাখনি প্ৰকাশ কৰিবলৈ পৰিয়ালবৰ্গ আগবাঢ়ি অহাৰ কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আল্লাহ পাকে তেওঁলোকক ধৈৰ্য, চবুৰ, দ্বীনী জজ্‌বা অন্তৰত দান কৰক। আ-মীন বি জাহে ছায়্যিদিল মুৰ্ছালিন (স্বাঃ)।

*—খাদিমে দ্বীন*

*তাৰিখ- ১৭-০৮-২০১৪ খ্ৰীঃ* *মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী, মুছলিমঘোপা*

# মাছাইল ৱা ফাজ্বাঈলে স্বালাতুল যানাঝা ৱা গ্বইৰহ

بسم الله الرحمن الرحيم

نحمده ونصلي ونسلم على رسوله الكريم

وآله وصحبه اجمعين.

**বেমাৰীৰ বিচাৰ-খোচাৰ ঃ**

বেমাৰীৰ বিচাৰ লোৱা ছুন্নত। বেমাৰীৰ খবৰ লোৱা আদব সমূহ—

১। তেখেতৰ ওচৰত অলপ সময় বহা, ২। বেমাৰীক কম কথা সোধা, ৩। তেখেতৰ অৱস্থাৰ বিষয়ে সোধা, ৪। আৰোগ্যৰ বাবে দুঁআ' কৰা, ৫। তল মূৰ কৰি বহা, ৬। বেমাৰীৰ কপালত হাত ৰাখি সোধা— 'কেনে আছে?' প্ৰিয়নবী (স্বাঃ)এ কৈছে— "যিয়ে বেমাৰীৰ খবৰ লয় নিশ্চয়কৈ সেইজন যান্নাতবাসীৰ দৰে হ'ব আৰু যেতিয়া উঠে হাজাৰ হাজাৰ ফৰিশ্বতাই তেওঁক আগুৰি ধৰে।" আন এটি বৰ্ণনাত ৭০,০০০ ফৰিশ্বতাই ৰহ্‌মত বৰ্ষণ কৰে বুলি উল্লেখ আছে। (তিৰ্মিজী, আবু দাউদ)

**মৃত্যু সম্পৰ্কীয় মাছআলা ঃ**

প্ৰত্যেক মানুহৰ ওপৰত ওৱাজিব যে এজন মানুহৰ মৃত্যুৰ পিছত ঘৰৰ মানুহক কন্দা-কটা আৰু অন্য বিদ্‌আ'ত কামৰ পৰা যেন মানা কৰে। তেওঁলোকক নস্বিহত কৰা মুস্তাহাব আৰু মৃতব্যক্তিজনৰ নামাজ-ৰোজাৰ কাফ্‌ফাৰা আদায় কৰা সম্পৰ্কত নস্বিহত কৰিব লাগে। মৃতকে ৱাস্বিয়ত (কৈ যোৱা) কৰা বস্তুৰ ওপৰত ওৱাৰিছে (উত্তৰাধিকাৰী) সম্পত্তিৰ তিনি ভাগৰ এক অংশৰ পৰা দিয়াতো ওৱাজিব। যদি নিদিয়ে তিনিওটা অংশৰ পৰাই দিয়াতো ওৱাজিব আৰু এইক্ষেত্ৰত ওৱাৰিছে খুছীৰ সৈতে আদায় কৰাতো চাৱাব।

যাৰ মৃত্যুৰ সময় হয় তেওঁৰ বিচনা যেনেকৈ হওক তাক চাফ কৰাতো মুস্তাহাব। তেওঁক চিত কৰি কিব্‌লামুখী কৰি শুৱাই দিব লাগে। ভৰিৰ আঙুলিবোৰ কিব্‌লামুখী হ'ব লাগে। ই ছুন্নত। শৰীৰত যদি কোনো নাজাচত হকিকি বা হুকমি আদি লাগি থাকে তাক ধুই অজু কৰি পাক কৰাটো লাজিম (জৰুৰী) আৰু গোছল কৰোৱাটো মুস্তাহাব। শৰীৰত যদি নাপাক কাপোৰ থাকে সলাই দিয়াতো মুস্তাহাব। যদি গোছল কৰিলে বেমাৰীৰ ক্ষতি হয় তৈয়ম্মম কৰি দিয়াতো ভাল। সুগন্ধি লগাই দিয়াতো মুস্তাহাব। মৃত্যুৰ সময়ত বাৰ বাৰ কলিমা শ্বাহাদত পঢ়ি শুনোৱা ছুন্নত। ছুৰা ইয়াছীন শ্বৰীফ, ছুৰা ৰায়াত তেওঁৰ ওচৰত পঢ়া মুস্তাহাব। মুৰ্দাৰ ওচৰত বহি কথা কোৱা, হাঁহা, ঠাট্টা-বিদ্ৰূপ কৰাবোৰৰ পৰা মানা কৰাটো ওৱাজিব। তেওঁৰ আগত যান্নাতৰ কথা আৰু ভাল কথা বৰ্ণনা কৰাতো ভাল। নেক মানুহ তেওঁৰ ওচৰত থকাতো ভাল। তেওঁৰ আ'মলৰ কাৰণে বাৰ বাৰ এই কলিমা 'আল্লাহুম্মা বিৰ্ ৰাফীকিল

pdf By Syed Mostafa Sakib



ফর্মানে মুস্তাফা (স্বাঃ)- "যিয়ে মোৰ ওপৰত দৰুদ পঢ়িলে নিশ্চয়কৈ তেওঁ নিজৰ জাতৰ ওপৰত ৰহমতৰ ৭০ খন দৰ্জা খুলিলে।"

আ'লা হাওৱিন আ'লাইহি শ্বাক্ৰাতিল মাউত' কোৱাতো জৰুৰী। মৃত্যুৰ পিছত মুৰ্দাৰ চকুদ্বয় বন্ধ কৰি দিব লাগে। ভৰি টানি পোন কৰি দিয়াৰ লগতে হাত দুখনো দুই কাষে পোন কৰি ৰাখিব লাগে। মুখখন বন্ধ কৰি কিঞ্চিত কা'বা শ্বৰীফৰ ফালে হেলনীয়াকৈ ৰখা উচিত। মুৰ্দাৰ দফন যিমান সোনকালে পাৰি সিমান সোনকালে কৰা ভাল। মুৰ্দাৰ শোকত অধীৰ হৈ চিৎকাৰ কৰি কন্দা উচিত নহয়। কান্দোনৰ শব্দ আল্লাই পছন্দ নকৰে। ইয়াৰ বাবে মুৰ্দাই অতিৰিক্ত আজাবত ভোগে।

**মুৰ্দাক গোছলৰ পদ্ধতি ঃ**

১। পানীত বগৰীৰ পাত দি কুহুমীয়া গৰম কৰিব, ২। মুৰ্দাক গোছল কৰা ঠাই ডোখৰ বেৰৰ দ্বাৰা পৰ্দা কৰি ল'ব, ৩। সেই পৰ্দাৰ ভিতৰত তক্তা বা খাটিয়া বা বাঁহৰ চাঙি পাতি দিব, ৪। তাৰ পিছত মুৰ্দাক দুই তিনিজনে আনি সেই তক্তা বা খাটিয়া বা চাঙিত ৰাখিব, ৫। মুৰ্দাৰ গাত চোলা, গেঞ্জী আদি থাকিলে কাটি ফালি খুলি ল'ব, ৬। মুৰ্দাৰ নাক আৰু কাণৰ বিন্ধা তুলা বা কাপোৰৰ টুকুৰাৰে বন্ধ কৰি দিব যাতে সেই বিন্ধাৰে পানী নোখোমায়, ৭। তাৰ পিছত মুৰ্দাৰ তল পেটটো মালিচ কৰিব আৰু তাত এখন হাতেৰে হেঁচি ধৰি আনখন হাতেৰে মূৰত বা গলধনত ধৰি দুই-তিনি বাৰ দাঙি দিব যাতে পেটৰ পৰা ওলাবলগীয়া মল বা পায়খানা থাকিলে ওলাই আহে, ৮। তাৰ পিছত কাপোৰৰ টুকুৰাৰে পৰ্দা কাপোৰৰ তলেৰে হাত সুমুৱাই পায়খানাৰ দৰ্জা মচি দিব বা ভিজা কাপোৰেৰে পৰিষ্কাৰ কৰিব লগতে প্ৰয়োজনীয় পৰিমাণৰ কুলুফ্ বেযুৰীয়াকৈ ব্যৱহাৰ কৰিব। ইয়াৰ পিছত মুৰ্দাৰ নাজাচত ধুই আঁতৰ কৰি পেলাব, ৯। তাৰ পিছত মুৰ্দাক অজু কৰাই দিব, ১০। অজু কৰাৰ সময়ত প্ৰথমে হাত দুখনৰ কজ্জা পৰ্যন্ত ধুব, তাৰ পিছত মুখমণ্ডল ধুব। এই সময়ত আঙুলিত কাপোৰ মেৰিয়াই দাঁত, নাক আৰু কাণৰ বিন্ধা পৰিষ্কাৰ কৰি দিব। হাত দুখন কিলাকুটিৰ পৰা তিনিবাৰ ধুব। তাৰ পিছত মূৰটো মোছেহ কৰি দিব, তাৰ পিছত ভৰি দুখন খাৰ গাঁঠি পৰ্যন্ত ধুই দিব, ১১। তাৰ পিছত মুৰ্দাৰ সমস্ত শৰীৰত এবাৰ পানী ঢালি দিব। গাত চাবোণ সানিব বা চাবোণ পানী ঢালিব। তাৰ পিছত বাঁও পিনে কাটি কৰি সোঁফালত পানী ঢালিব। তাৰ পিছত সোঁপিনে কাটি কৰি বাঁওফালত পানী ঢালিব। পানী সৰ্ব শৰীৰত তিনিবাৰ, পাঁচবাৰ বা সাতবাৰ ঢালিব পাৰে। শেষৰ বাৰ কৰ্পুৰ মিহলোৱা পানী ঢলা মচনুন (ভাল), ১২। তাৰ পিছত শুকান কাপোৰেৰে গা মচি দিব। তাৰ পিছত মুৰ্দাক কফন পিন্ধোৱা ঠাইলৈ লৈ গৈ কফন পিন্ধাব। ছিজদাহত ব্যৱহৃত অংগসমূহ তথা দাঢ়ি, চুলি, কপাল, নাক, হাতৰ তলুৱা, ভৰিৰ পতা আদিত সুগন্ধি দ্ৰব্য বা কৰ্পূৰ লগাব, ১৩। মুৰ্দাৰ মূৰ ফনিয়াব নালাগে।





ফৰ্মানে মুস্তাফা (স্বাঃ)- "ৎমুম্মাহৰ দিনাখন বেছিকৈ দৰুদ পঢ়া কিয়নো তোমালোকৰ দৰুদ মোৰ ওচৰত পেশ কৰা হয়।"

**কফন পিন্ধোৱাৰ নিয়ম ঃ**

মুৰ্দা (মৃতক)ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা কাপোৰক কফন বোলে। শুদ্ধ বগা কাপোৰ কফনত ব্যৱহাৰ কৰা হয়। পুৰুষৰ বাবে তিনিখন কাপোৰ দিয়া ছুন্নত। ১। লেফাফা, ২। চাদৰ বা ইজাৰ, ৩। পিৰহান বা কুৰ্তা। মহিলাৰ বাবে পাঁচখন কাপোৰ দিয়া ছুন্নত। ১। লেফাফা, ২। চাদৰ (ইজাৰ), ৩। কুৰ্তা, ৪। চিনাবান্ধ, ৫। ওৰণি বা দামনী।

**লেফাফা আৰু চাদৰ ঃ**

এই দুখন কাপোৰ মুৰ্দাৰ দৈৰ্ঘ্যতকৈ প্ৰায় ১ হাত মান বেছি দীঘল হ'ব লাগে। পিৰহান বা কামিজ ডিঙিৰ পৰা আঁঠুৰ তললৈ যোৱা জোখৰ হ'ব লাগে। চিনাবান্ধ বুকুৰ পৰা আঁঠুৰ তললৈ যোৱা তিনি হাত মান দীঘল জোখৰ কাপোৰ। ওৰণি বা দামনী হ'ল মূৰৰ সমস্ত চুলি বান্ধিব পৰা দুই হাত মান দীঘল জোখৰ কাপোৰ। সাধাৰণতে মৃতকক বগা কাপোৰ পিন্ধোৱা জায়েজ। যদিহে জায়েজ ৰঙৰ কাপোৰ পোৱা নাযায় তেতিয়া নাজায়েজ ৰঙৰ কাপোৰ হ'লেও মাটিত ঘহি তাৰ ৰং নষ্ট কৰি মৃতকক পিন্ধোৱা জায়েজ আছে। যদিহে কোনো কাৰণত কফনৰ কাপোৰ পোৱা নাযায় তেতিয়া গোছল কৰাই ঘাঁহ বনৰে আবৰি দফন কৰিব পাৰিব আৰু পিছত তেওঁৰ কবৰৰ ওপৰত যানাঝা নামাজ আদায় কৰিব।

পুৰুষৰ প্ৰথমে চাদৰ, তাৰ ওপৰত ইজাৰ আৰু তাৰ ওপৰত কুৰ্তা বা চোলা পাৰিব লাগে। চাদৰ ইজাৰতকৈ কিছু দীঘল হ'ব লাগে। কুৰ্তাৰ দৈৰ্ঘ্য আঁঠুৰ তললৈ যোৱা হ'ব লাগে। কুৰ্তা পাৰোতে তলৰ অংশ পাৰি মূৰ সোমোৱা ফুটাৰ পৰা ওপৰৰ অংশ মূৰ শিতানত কোচাই থ'ব। তাৰ পিছত কফনৰ ওপৰত মুৰ্দা ৰাখি কুৰ্তাৰ ফুটাৰে মূৰটো সুমুৱাই কোচাই থোৱা ওপৰৰ অংশ তলৰ পিনে টানি আনি মুৰ্দাক ঢকা পৰ্দাৰ ওপৰত ঢাকি দিব আৰু মুৰ্দাক ঢাকি থোৱা কাপোৰখন টানি উলিয়াই নিব। ইয়াৰ পিছত ইজাৰখন মুৰ্দাৰ বাঁওহাতৰ পিনৰ পৰা উঠাই মূৰৰ পৰা ভৰিলৈ ঢাকিব আৰু তাৰ পিছত মুৰ্দাৰ সোঁহাতৰ পিনৰ পৰা উঠাই আগৰ ফালটোৰ ওপৰত ৰাখিব। এইদৰে চাদৰখনো উঠাব আৰু দুয়োমূৰে কাপোৰৰ পট্টিৰে বান্ধিব। কবৰত ৰখাৰ সময়ত এই বান্ধ খুলি দিব।

মহিলাৰ ক্ষেত্ৰতো প্ৰথমে চাদৰ, তাৰ ওপৰত ইজাৰ আৰু তাৰ পিছত ওপৰত কুৰ্তা পাৰি ওপৰৰ অংশ মূৰ শিতানত কোচাই থ'ব। ১। গোছলৰ পিছত মুৰ্দা আনি চাঙত ৰাখিব আৰু কুৰ্তাৰ ফুটাৰে মূৰটো সুমুৱাই দি কুৰ্তাৰ ওপৰৰ অংশ চিনা বা বুকুৰ ওপৰেৰে তলৰ পিনে টানি আনি আঁঠুৰ তললৈ ঢাকি দিব। ২। তাৰ পিছত

pdf By Syed Mostafa Sakib





মূৰৰ চুলি দুভাগ কৰি দুয়ো কান্ধৰ ওপৰেদি আনি বুকুৰ ওপৰত ৰাখিব তাৰ পিছত তলত পাৰি থোৱা শিৰবন্ধখনো দুয়োফালে উঠাই আনি চুলিখিনি ঢাকি দিব। ৩। তাৰ পিছত চিনাবন্ধখন ওপৰৰ পৰা পাৰি দি ঢাকি দিব আৰু কুৰ্তাৰ দুয়োপিনে খুহি দিব। ৪। তাৰ পিছত ইজাৰ মুৰ্দাৰ বাঁওপিনৰ পৰা উঠাই জাপিব। ৫। তাৰ পিছত লেফাফাখনো প্ৰথমে বাঁওফালৰ পৰা পিছত সোঁফালে উঠাই জাপিব আৰু দুয়োমূৰে কাপোৰৰ ফিটা বা পট্টিৰে বান্ধি দিব। চিনাবন্ধ প্ৰথমে পাৰি দি কুৰ্তা পিন্ধোৱাৰ পিছতো কুৰ্তাৰ ওপৰেদি মেৰিয়াই দিব পাৰে। (আহ্‌চানুল ফিকাহ) মহিলাৰ কফন পিন্ধোৱাৰ পিছত অন্য পৰ্দাৰে ঢাকি দিয়া মুস্তাহাব। মনত ৰাখিব কফন পিন্ধাওতে নামাজত নিয়ত বান্ধাৰ দৰে পিন্ধোৱা উচিত। অৰ্থাৎ বাঁওফালৰ হাতৰ ওপৰত সোঁফালৰ হাত যেনেকৈ থাকে, তদ্ৰূপ কফনৰ বাঁওফালৰ জাপৰ ওপৰত সোঁফালৰ জাপ দিয়া হয়।

শ্বাজাৰা বা আহাদনামা কবৰত ৰখা জায়েজ আছে। উত্তম এয়ে যে মাইয়্যাতৰ মুখৰ সন্মুখত কিব্‌লাৰ ফালে গৰ্ত কৰি ইয়াক ৰাখিব। (বাহাৰে শ্বৰীঅ'ত) মাইয়্যাতৰ পেছানী বা কফনৰ ওপৰত আহাদনামা লিখা উত্তম। (দুৰ্‌ৰে মুহ্‌তাৰ, ৰদ্দুল মুহ্‌তাৰ, ১ম খণ্ড, পৃঃ ৬৩৩) পেছানীত বিছ্‌মিল্লাহ শ্বৰীফ বা ছিনাত কলিমা তৈয়্যব লিখা জায়েজ আছে। কিন্তু গোছলৰ পিছত কফন পিন্ধোৱাৰ আগত কলিমা আঙুলিৰে লিখিব। চিঁয়াহী ব্যৱহাৰ নকৰিব। (দুৰ্‌ৰোল মুহ্‌তাৰ, ১ম খণ্ড, পৃঃ ৬৩৪)

**অন্যান্য মাছাইল ঃ**

যানাঝা নামাজ নপঢ়াকৈ যদি কোনো মাইয়্যাতক দফন কৰা হয় তেতিয়া তেখেতৰ কবৰ সন্মুখত ৰাখি নামাজ পঢ়িব। কিন্তু এই নামাজটো মৃতকৰ দেহ ফুলি ফাটি যোৱাৰ আগতেই পঢ়িব। হুজুৰ পাক (স্বাঃ)ৰ পৰা এই আ'মল চাবিত আছে। হযৰত ইমাম আবু ইউচুফ (ৰহঃ)ৰ পৰা বৰ্ণিত যে মৃতকৰ দফন কৰাৰ তিনিদিন পৰ্যন্ত যানাঝা নামাজ পঢ়া যায়। এনেকৈ ইব্‌নে ৰুস্তমে হযৰত ইমাম মুসাম্মাদ (ৰহঃ)ৰ পৰা নকল কৰি কয় যে, এইটো (তিনি দিনৰ ভিতৰত যে যানাঝা নামাজ পঢ়িব লগাতো) কিন্তু জৰুৰী (লাজিম) নহয় বৰং বিশুদ্ধ কথা এইটো যে বতৰৰ বিভিন্নতা আৰু মৃতকৰ অৱস্থা আৰু ঠাইৰ ধৰণৰ ওপৰত নিৰ্ভৰ কৰি মৃতকৰ শৰীৰ ফালি ফুটি যোৱাৰ হুকুম আহিব। এই কথাৰ ওপৰত নিৰ্ভৰ কৰিয়ে যানাঝাৰ নামাজ পঢ়া হ'ব আৰু বৰ্ণিত আছে, 'হুজুৰ পাক (স্বাঃ)এ উহুদৰ যুদ্ধৰ চাহাবাসকলৰ ওপৰত ৮ বছৰ পিছতো যানাঝা পঢ়িছিল।' পিছে ইয়াৰ অৰ্থ এয়ে যে তেখেত (স্বাঃ)এ তেওঁলোকৰ কাৰণে দুআ' কৰিছিল। আল্লাহ পাকৰ বাণীৰ ভাবাৰ্থ- "আপুনি তেওঁলোকৰ বাবে







দুআ' কৰক। নিশ্চয়কৈ আপোনাৰ দুআ' তেওঁলোকৰ কাৰণে ৰসমত স্বৰূপ হয়।" দ্বিতীয় উত্তৰ- এই যে উহুদ যুদ্ধৰ শ্বহীদসকলক দফন কৰা হোৱাৰ পিছতো তেনেদৰেই থাকি গৈছিল। তেওঁলোকৰ দেহ মুবাৰকৰ কোনো পৰিবৰ্তন হোৱা নাছিল। যেতিয়া হযৰত আমিৰে মুআ'বিয়া (ৰাঃ)এ তেওঁলোকৰ কাৰোবাক দ্বিতীয় ঠাইত দফন কৰিবৰ কাৰণে থিবাং কৰিছিল তেতিয়া তেওঁলোকক একে ধৰণেই পোৱা গৈছিল যেনেকৈ দফন কৰা অৱস্থাত আছিল। সেয়ে তেখেতে শ্বহীদসকলৰ কবৰস্থান সলনি কৰাতো বাদ দিছিল আৰু পুনৰবাৰ দফন কৰা হোৱা নাছিল।

**নামাজৰ ইমামতিৰ হক্বদাৰ কোন?**

১। আটাইতকৈ বেছি হক্বদাৰ চুলতান বা সম্ৰাট, ২। সম্ৰাট নহ'লে ক্বাজী, ৩। ক্বাজী নহ'লে মৃতকৰ ৱলী (নিকট আত্মীয়), ৪। ৱলী নহ'লে মহল্লাৰ ইমাম (ইমামে উলহী), ৫। মহল্লাৰ ইমাম নহ'লে আউলিয়া, ৬। হযৰত ইমাম শ্বাফী (ৰহঃ)ৰ মতে মহল্লাৰ ইমামতকৈ ৱলী (নিকট আত্মীয়) বেছি হক্বদাৰ।

**মহিলাৰ যানাঝা নামাজৰ ইমামতিৰ ক্ষেত্ৰত ঃ**

বাপেক বা স্বামী দুয়োটায়ে নামাজ পঢ়াব পাৰিলে দুয়োজনৰে হক্ব আছে। পিছে মহিলা গৰাকীৰ ৱলী (নিকট আত্মীয়)ৰ হক্ব আগত। হযৰত উ'মৰ ইব্‌নে খাত্তাব (ৰাঃ)ৰ যেতিয়া বিবিৰ ইন্তেকাল হৈছিল তেতিয়া তেওঁ বিবিৰ বাপেকক কৈছিল যে, মই এওঁৰ বাবে দুনীয়াত বেছি হক্বদাৰ আৰু আপুনি মৃত্যুৰ পিছত বেছি হক্বদাৰ আৰু বাপেকৰ হক্ব বেছি হোৱাৰ কাৰণ এইটোৱে।

**যানাঝা নামাজৰ নিয়ম আৰু মাছআলা ঃ**

যানাঝা নামাজত চাৰিটা তকবীৰ আছে। হুজুৰ পাক (স্বাঃ)পৰা কেইবাটাও বৰ্ণনা আছে। শেষৰ বৰ্ণনা অনুসৰি চাৰি তকবীৰ। এই বৰ্ণনা আগৰ বৰ্ণনাবোৰৰ বাত্বিলকাৰী। হযৰত উ'মৰ ফাৰুক্ব (ৰাঃ)ই চাহাবা কিৰাম (ৰাঃ)ক জমা কৰিলে আৰু যানাঝা নামাজৰ তকবীৰৰ সংখ্যাৰ বিষয়ে বিভিন্ন মত ব্যক্ত কৰিলে। তাৰ পিছত চাহাবা (ৰাঃ) সকলক ক'লে, "তোমালোকে তকবীৰ সম্পৰ্কত ভিন্নমত লৈছা নেকি? পিছে হুজুৰ পাক (স্বাঃ)ৰ শেষ আ'মাল চোৱা আৰু সেইটোকে মানি লোৱা।" হুজুৰ পাক (স্বাঃ)এ শেষ আ'মলত চাৰি তকবীৰ কৈছিল। এইটো আ'মলৰ ওপৰত তামাম হযৰত ফকীহ সকলে ফতোৱা দিয়ে আৰু যানাঝা চাৰি তকবীৰ হয় বুলি ঐক্যমত প্ৰকাশ কৰে। যানাঝা নামাজত ১ম তকবীৰতহে মাত্ৰ হাত উঠাব লাগে বাকী তকবীৰত হাত উঠাব নালাগে। ৪ৰ্থ তকবীৰৰ পিছত হাত খুলি দি ছালাম ফিৰাব লাগে। ( বাহাৰে শ্বৰীঅ'ত ৪ৰ্থ খণ্ড, পৃষ্ঠা- ১৫৪, হাচিয়াতুত তাহ্‌তাৱী, পৃষ্ঠা- ৫৮৪)

pdf By Syed Mostafa Sakib



যদি কেতবোৰ পুৰুষ আৰু কেতবোৰ মহিলাৰ যানাঝা জমা হৈ যায় তেতিয়া পুৰুষ মাইয়্যাত (মৃতক)সকলৰ শৰীৰ ইমামৰ সন্মুখত ৰখা হ'ব আৰু তেওঁলোকৰ আগত অৰ্থাৎ কিব্‌লাৰ ফালে মহিলা সকলৰ মাইয়্যাত (মৃতক) ৰাখিব। কিছুমান উ'লামাই কয় যে ইমামৰ ওচৰত মহিলা সকলৰ মাইয়্যাত ৰখা হওক আৰু কিব্‌লাৰ ফালে মৰদৰ মাইয়্যাত ৰখা হওক। কিন্তু বিশুদ্ধ কথা হ'ল ইমামৰ ওচৰত পুৰুষৰ মাইয়্যাত ৰখা হওক, মহিলা সকলক নহয়। যদিহে সৰু ল'ৰা-ছোৱালী কিছুমান আৰু মহিলা কিছুমানৰ যানাঝা একেলগ হৈ যায় তেতিয়া ইমামৰ সন্মুখত সৰু ল'ৰা-ছোৱালীৰ মৃতদেহ ৰখা হ'ব কিব্‌লাৰ পিনে মহিলা সকলৰ মৃতদেহ ৰখা হ'ব।

যদি কেইবাজনো মুৰ্দা হয় (যানাঝা কেইবাটাও জমা হয়) তেতিয়া ১। তেওঁলোকৰ যানাঝা পঢ়িবৰ কাৰণে তেওঁলোকক শাৰী শাৰী কৈ ৰাখিব পাৰে, ২। নহ'লে এজনৰ পিছত এজনকৈ ৰাখিব পাৰে, ৩। ইব্‌নে আবি লাইলা(ৰহঃ) এ কয়, "যানাঝা বহুত হ'লে সেই যানাঝাবোৰ হাদজৰ হিচাপত ৰাখিব লাগে। তাৰ তৰীকা এইটোৱে যে ২য় জনৰ মূৰটো ১ম জনৰ চিনাৰ পোনত হ'ব লাগে।" হযৰত ইমাম আ'যম আবু হানিফা (ৰহঃ)এ কয় এইটোৱে চহী নিয়ম। কিয়নো চৰ্ত এয়ে যে যানাঝা ইমামৰ সন্মুখত হ'ব লাগে এইটোৱে চৰ্ত পোৱা যায়। অথবা তিনিওটা চুৰতে (পদ্ধতি) জায়েজ। যানাঝা নামাজত অ-মুছলিমে অংশগ্ৰহণ কৰা নাজাইজ।

**মাছআলা ঃ** যানাঝাৰ নামাজ যদি সময়ৰ নাটনিৰ কাৰণে গুচি যোৱাৰ সম্ভাৱনা থাকে তেনেকুৱা অৱস্থাত তৈয়ম্মম কৰি নামাজ পঢ়িব। কিয়নো যদি অজু কৰি থাকোতে দেৰি হয় আৰু নামাজ গুচি যায় তেতিয়া তৈয়ম্মম কৰি নামাজ পঢ়া জায়েজ আৰু যদি কোনো মানুহে যানাঝা নামাজ আৰম্ভ কৰিছিল পিছে তেখেতৰ হাদাচে লাহিক (সৰু অপবিত্ৰতা) আহি যায় তেতিয়া এনেকুৱা অৱস্থাত তৈয়ম্মম কৰি নামাজ পঢ়িব আৰু যি ঠাইৰ পৰা নামাজ এৰিছিল পুনৰ সেই ঠাইৰ পৰা নামাজ পঢ়িব। যদি কোনো ব্যক্তি এনেকুৱা অৱস্থাত আহি পায় যে যানাঝা নামাজৰ এক বা দুই তকবীৰ ইতিমধ্যে কোৱা হৈ গৈছে তেতিয়া সেই মানুহজনে ইমামৰ পৰৱৰ্তী তকবীৰলৈ অপেক্ষা কৰা উচিত আৰু ইমামে তকবীৰ কোৱাৰ লগে লগে তেওঁ তকবীৰ কৈ জামাআ'তত চামিল হৈ যাব আৰু যেতিয়া ইমামে ছালাম ফিৰাব তেতিয়া সেই ব্যক্তিজনে গুচি যোৱা তকবীৰ কেইটা কৈ পুৰা কৰি ল'ব আৰু ছালাম ফিৰাব। এই মাছআলা হযৰত ইমাম আ'যম আবু হানিফা (ৰহঃ) আৰু হযৰত ইমাম মুহাম্মাদ (ৰহঃ)ৰ পৰা বৰ্ণিত। যদি কোনোৱে যানাঝা নামাজ পঢ়ি লয় পিছত কিছুমান মানুহ আহিল আৰু তেওঁলোকে যানাঝা নামাজ দ্বিতীয়বাৰ পঢ়িব বিচাৰিছে তেতিয়াহ'লে





তেওঁলোকে জামাআ'তৰ সৈতে বা অকলশৰেও দ্বিতীয়বাৰ পঢ়িব নোৱাৰিব। আকৌ যদি কোনোৱে যানাঝা নামাজ পঢ়ি লয় আৰু মাইয়্যাতৰ ৱলী (নিকট আত্মীয়) এই জামাআ'তত চামিল নহ'ল অৰ্থাৎ মাইয়্যাতৰ ৱলী(নিকট আত্মীয়)ৰ অনুমতি অবিহনে নামাজ পঢ়িলে পিছত তেওঁ আহিলে দ্বিতীয়বাৰ পঢ়া জায়েজ আছে। যদি ইমামে কোনো যানাঝাৰ নামাজ পঢ়াই থাকে আৰু তেওঁ তকবীৰে তহৰিমা কৈছে এই সময়ত দ্বিতীয় যানাঝা লৈ অহা হ'ল আৰু সেই যানাঝা প্ৰথমটোৰ লগত ৰখা হ'ল তেতিয়া ইমামে প্ৰথম যানাঝাৰ নামাজ সম্পূৰ্ণ কৰাৰ পিছত দ্বিতীয় যানাঝাৰ নামাজ পঢ়াব। যদি সূৰ্য অস্ত যোৱাৰ আগতে যানাঝা আহি যায় এই চুৰতত প্ৰথমে মগ্ৰীৱৰ নামাজ পঢ়ি ল'ব কিয়নো প্ৰত্যেকজন বালিগ্ব মুছলমানৰ ওপৰত নামাজ ফৰজে আইন আৰু যানাঝা নামাজ ফৰজে কিফায়াহ। 'ফৰজে কিফায়া'ৰ অৰ্থ এয়ে যে এজন ব্যক্তিয়ে পঢ়িলে তেতিয়া সকলোৰে জিম্মাৰ পৰা ফৰজ চাকিত হৈ যায় আৰু ফৰজ নামাজ পঢ়া প্ৰত্যেকৰ ওপৰত ফৰজ যি এজনে আদায় কৰিলে সকলোৰে তৰফৰ পৰা আদায় নহ'ব। সেয়ে প্ৰথমতে মগ্ৰীৱৰ নামাজ পঢ়ি লওঁক, পিছত যানাঝা নামাজ পঢ়ক। মছজিদত যানাঝা নামাজ পঢ়া মক্‌ৰূহে তাহ্‌ৰীমি, নাজায়েজ আৰু গুণাহ। (ফাতাৱা ফাইজুৰ ৰছুল, ১ম খণ্ড, পৃঃ ৪৪৫, ফাতাৱা ৰিজৱিয়্যাহ, ৪ৰ্থ খণ্ড, পৃঃ ৫৭, ফাতাৱা আ'লমগীৰী, ১ম খণ্ড, পৃঃ ১৫৫) যদি যানাঝা নামাজ পঢ়াৰ পিছত জ্ঞাত হয় যে ইমাম চাহেবৰ অজু নাছিল তেতিয়াহ'লে যানাঝাৰ নামাজ পুনৰাই পঢ়া ওৱাজিব।

**যানাঝাৰ লগত যোৱা লোকসকলৰ চাৱাব (ফাজ্বাঈল) ঃ**

হযৰত ছায়্যিদুনা দাউদ (আঃ)এ আল্লাহ ৰাব্বুল আ'লামিনৰ দৰবাৰত আৰজ কৰিলে, "হে আল্লাহ! যি ব্যক্তিয়ে কেৱল তোমাৰ সন্তুষ্টি লাভৰ উদ্দেশ্যে যানাঝাৰ লগত যায় তাৰ প্ৰতিদান কি?" আল্লাহ তাআ'লাই ইৰ্শ্বাদ ফৰ্মালে— "যিদিনা সি মৃত্যুবৰণ কৰিব সিদিনা ফৰিশ্‌তাসকলে তাৰ যানাঝাৰ লগত যাব আৰু আমি তাক ক্ষমা কৰি দিম।" (চৰহুছ ছুদুৰ, পৃষ্ঠা- ১০১ প্ৰকাশকঃ দাৰুল কুতুবুল আ'ৰাবী বেইৰুত)

**যানাঝা কান্ধত লোৱাৰ চাৱাব ঃ**

হাদীচ পাকত আহিছে- "যি ব্যক্তিয়ে যানাঝাক লৈ চল্লিশ কদম খোজ যাব তাৰ চল্লিশটি কবীৰাহ্ গুণাহ মাফ কৰি দিয়া হ'ব।" (আত্ তাব্‌ৰানী ফীল আছওৱাত, খণ্ড-৪, পৃষ্ঠা- ২৬০, হাদীচ নং- ৫৯২০, প্ৰকাশকঃ দাৰুল কুতুবুল ই'লমিয়্যাহ, বেইৰুত) হাদীচ শ্বৰীফত আৰু আছে- "যি ব্যক্তি যানাঝাৰ চাৰিটি পায়া (চাঙৰ হেণ্ডেল) কান্ধত ল'ব আল্লাহে তাৰ হাতমী (অৰ্থাৎ আগামী গুনাহ) ক্ষমা কৰি দিব।

pdf By Syed Mostafa Sakib



(আল্ জাওহাৰতুন নীৰাহ, খণ্ড-১, পৃষ্ঠা-১৩৯)

**যানাঝা কান্ধত লৈ যোৱা আদব (মাছইল) ঃ**

চাৰিজন পৰহেজগাৰ পুৰুষে 'বিছমিল্লাহি ওৱা আ'লা মিল্লাতি ৰাছুলিল্লাহ' দুআ' পাঠ কৰি যানাঝাৰ খাত কান্ধত ল'ব যাতে মুৰ্দাৰ মূৰটো সন্মুখৰ ফালে থাকে। সোঁফালৰ লোক দুজনে সোঁকান্ধত তাৰ বাঁওফালৰ লোক দুজনেও সোঁ কান্ধতেই ল'ব লাগে। খাতৰ পিছত যোৱা লোকসকলে মনে মনে কলিমা পঢ়ি যাব। কোনো ধৰণৰ দুনীয়াদাৰী কথা নক'ব। আখিৰাত তথা মৃত্যুৰ কথা মনত কৰিব।

যানাঝা কান্ধত লোৱা ই'বাদত। (ফাতাৱা-ই-তাতাৰখানিয়াহ্ খণ্ড-২, পৃষ্ঠা-১৫০) যানাঝা মহিলা হওক বা পুৰুষ হওক ৪ জনে কান্ধত উঠাই ল'ব, মূৰৰ ওপৰলৈ উঠাই লোৱাটো বিদ্আ'ত আৰু বিনা ওজৰে কান্ধত নলৈ হাতত লোৱাটো ছুন্নতৰ খিলাফ। ছুন্নত হৈছে এয়াই যে, এটাৰ পিছত এটাকৈ চাৰিটি পায়াক কান্ধত লোৱা আৰু প্ৰত্যেকবাৰ দহ (১০) খোজকৈ যোৱা। পূৰ্ণ ছুন্নত হৈছে প্ৰথমে মূৰৰ পিনে সোঁ কান্ধত লওঁক পিছত ভৰিৰ পিনে সোঁকান্ধত লওঁক। পিছত চাঙৰ বাঁওপিনে মূৰৰ ফালে সোঁকান্ধত শেষত ভৰিৰ পিনে আৰু দহ খোজকৈ যাব তেনেহ'লে চল্লিশ খোজ হ'ব। (মাৰাক্বিউল ফালাহ্ তাহতাৱীৰ টিকাসহ, পৃষ্ঠা-৬০৪) অনেকেই যানাঝাৰ শোভাযাত্ৰাত ঘোষণা কৰে, "দুই খোজ কৰি চলক।" তেওঁলোকৰ উচিত এইদৰে ঘোষণা কৰা, "প্ৰত্যেক পায়া (চাঙৰ হেণ্ডেল)ক কান্ধত উঠাই দহ কদম কৰি চলক।" যানাঝা কান্ধত লৈ ৬০ খোজ গ'লে ২ ক্বিৰাত চাৱাব পোৱা যায়। সেই কাৰণে আত্মীয় স্বজনসকলে কান্ধত ল'ব আৰু যানাঝা পিছত গ'লে লাহে লাহে কলিমা তৈয়্যব পঢ়িব। এক ক্বীৰাত (উহুদ পাহাৰৰ সমান) চাৱাব পাব।

**উহুদ পাহাৰৰ পৰিমাণ চাৱাব (ফাজ্বাঈল) ঃ**

হযৰত ছায়্যিদুনা আবু হুৰাইৰাহ (ৰাঃ)এ কয়, চৰকাৰে মদীনা, চুলতানে বাক্বাৰীনা, ক্বাৰাৰে ক্বলব ও চীনাহ, ফয়েজ গঞ্জীনা মুসাম্মদ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ ফৰ্মাইছে— "যি ঈমানদাৰ ব্যক্তিয়ে চাৱাবৰ নিয়তত নিজৰ ঘৰৰ পৰা যানাঝাৰ বাবে যায়, যানাঝাৰ নামাজ আদায় কৰে আৰু দফন পৰ্যন্ত যানাঝাৰ লগত থাকে তাৰ বাবে দুই ক্বীৰাত চাৱাব লিখা হয়। উল্লেখ্য যে প্ৰত্যেক ক্বীৰাত চাৱাব উহুদ পাহাৰৰ সমান পৰিমাণ আৰু যি ব্যক্তি কেৱল যানাঝা নামাজ পঢ়ি ঘূৰি আহে (দফন কাৰ্যত অংশগ্ৰহণ নকৰে) তেনেহ'লে তেওঁ এক ক্বীৰাত চাৱাব পাব।" (স্বহীহ মুছলিম শ্বৰীফ, খণ্ড-১, পৃষ্ঠা- ৩০৭, আফগানিস্থানত মুদ্ৰিত)

**ৱলীৰ যানাঝাত অংশগ্ৰহণৰ বৰকত ঃ**





এজন ব্যক্তি হযৰত ছায়্যিদুনা ছিৰৰী ছাক্বাতী (ৰহঃ)ৰ যানাঝাত অংশগ্ৰহণ কৰিলে। ৰাতি সপোনত হযৰত ছায়্যিদুনা ছিৰৰী ছাক্বাতী (ৰহঃ)ৰ যিয়াৰত নছীব হ'ল তেতিয়া প্ৰশ্ন কৰিলে ما فعل الله بك অৰ্থাৎ- 'আল্লাহ পাকে আপোনাৰ লগত কি ব্যৱহাৰ কৰিছে?' তেওঁ (ৰহঃ)এ উত্তৰ দিলে— "আল্লাহ পাকে মোক আৰু মোৰ যানাঝাত অংশগ্ৰহণকাৰী সকলোকে ক্ষমা কৰি দিছে।" তেওঁ আৰজ কৰিলে, "ইয়া ছায়্যিদী! মইয়োতো আপোনাৰ যানাঝাত অংশগ্ৰহণ কৰিছিলো।" তেতিয়া তেওঁ এখন তালিকা বাহিৰ কৰিলে কিন্তু ইয়াত তেওঁৰ নাম অন্তৰ্ভুক্ত নাছিল। গভীৰভাৱে পৰ্যবেক্ষণ কৰাত দেখিলে যে তেওঁৰ নাম পাৰ্শ্বটিকাত আছে। (শ্বাৰহুছ চুদূৰ, পৃষ্ঠা-২৭৯, দাৰুল কিতাবুল আ'ৰাবী, বেইৰুত)

**যানাঝাত অংশগ্ৰহণকাৰীৰ ক্ষমা ঃ**

নেক বান্দাসকলৰ যানাঝাৰ নামাজত অংশগ্ৰহণ কৰা সৌভাগ্যৰ বিষয়! যেতিয়াই সুযোগ হয় মুছলমান তথা নেক বান্দাসকলৰ যানাঝাত অংশগ্ৰহণ কৰা উচিত, যাতে আমাৰ ক্ষমাৰ মাধ্যম হৈ যায়। পৰম দয়ালু আল্লাহৰ ওচৰত কুৰ্বান হৈ যাওঁক যেতিয়া কোনো মৃত ব্যক্তিক ক্ষমা কৰি দিয়া হয় তেতিয়া তেওঁৰ যানাঝাত অংশগ্ৰহণকাৰী সকলকো ক্ষমা কৰি দিয়া হয়। ছুব্হানাল্লাহ! হযৰত ছায়্যিদুনা আ'ব্দুল্লাহ্ ইব্নে আ'ব্বাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, চৰকাৰে মদীনা, ছুলতানে বাক্বাৰীনা, ক্বাৰাৰে ক্বলব ও ছীনাহ্, ফয়জে গাঞ্জীনাহ্ (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মায় — "মু'মিন বান্দাক মৃত্যুৰ পিছত সৰ্বপ্ৰথম প্ৰতিদান এয়াই দিয়া হ'ব যে তেওঁৰ যানাঝাত অংশগ্ৰহণকাৰী সকলোকে ক্ষমা কৰি দিয়া হ'ব।" ছুব্হানাল্লাহ! (শ্ব'বুল ঈমান, খণ্ড-৭, পৃষ্ঠা-৭, হাদীচ নং-৯২৫৮, দাৰুল কুতুবুল ই'লমিয়্যাহ, বেইৰুত)

**যানাঝাৰ নামাজ ফৰজে কিফায়াহ্ ঃ**

যানাঝাৰ নামাজ ফৰজে কিফায়াহ্ অৰ্থাৎ- যি কোনো এজন ব্যক্তি আদায় কৰিব সকলোৱেই برئ الذمة দায়মুক্ত হ'ব নতুবা যিসকলে সংবাদ শুনিছিল যদি এজনো যানাঝাত উপস্থিত নহ'ল সকলোৱে গুনাহগাৰ হ'ব। (ফাতাৱা-ই-তাতাৰখানিয়্যাহ, খণ্ড-২, পৃষ্ঠা-১৫৩) যানাঝা নামাজৰ বাবে জামাআ'ত চৰ্ত নহয় যদি এজন ব্যক্তিয়েও আদায় কৰে তেতিয়াও ফৰজ আদায় হৈ যায়। (ফাতাৱা-ই-আ'লমগীৰী, খণ্ড-১, পৃষ্ঠা-১৬২) ইয়াক ফৰজ হোৱাক অস্বীকাৰ কৰা কুফ্ৰী। (ফাতাৱা-ই-তাতাৰখানিয়্যাহ, খণ্ড- ২, পৃষ্ঠা- ১৫৪)

**মুৰ্দাৰ বাবে চাৰিটা কাম কৰা ফৰজে কিফায়াহ ঃ**

১। গোছল দিয়া, ২। কফন পিন্ধোৱা, ৩। যানাঝা নামাজ পঢ়া আৰু

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "বান্দাই যেতিয়ালৈকে দৰুদ পঢ়ি থাকিব আল্লাহৰ ফৰিশ্তাই তেওঁৰ ওপৰত ৰহমত বৰ্ষণ কৰি থাকিব।" }

৪। কবৰ দিয়া বা দফন কৰা।

**যানাঝাৰ নামাজত দুটি ৰুকুন আৰু তিনিটা ছুন্নত ঃ**

যানাঝা নামাজৰ দুটি ৰুকুন হৈছে— ১। চাৰিবাৰ আল্লাহু আকবাৰ কোৱা, ২। ক্বিয়াম বা থিয় হৈ নামাজ পঢ়া। ছুন্নতে মুআক্কাদাহ তিনিটা হৈছে— ১। ছানা পঢ়া, ২। দৰুদ শ্বৰীফ পঢ়া (দৰুদে ইব্ৰাহীম), ৩। মৃত ব্যক্তিৰ বাবে দুআ' কৰা। (দুৰ্ৰে মুখ্তাৰ ৰদ্দুল মুহ্তাৰ সম্বলিত, খণ্ড-৩, পৃষ্ঠা- ১২৪)

হযৰত ছায়্যিদুনা মালিক ইব্নে আনাছ (ৰাঃ)ৰ ইন্তেকালৰ পিছত কোনোৱে তেওঁক সপোনত জিজ্ঞাসা কৰিলে مَا فَعَلَ اللّٰهُ بِكَ অৰ্থাৎ- আল্লাহ তাআ'লাই আপোনাৰ লগত কি ব্যৱহাৰ কৰিছে? তেওঁ (ৰাঃ) ক'লে— "এটি বাক্যৰ কাৰণে ক্ষমা কৰি দিছে যি হযৰত ছায়্যিদুনা ওচমান গণী (ৰাঃ)ৰ যানাঝা দেখি কৈছিলো سُبْحٰنَ الْحَيِّ الَّذِيْ لَا يَمُوْتُ অৰ্থাৎ- এই পূত পবিত্ৰ সত্ত্বা যি জীৱিত যিয়ে মৃত্যুবৰণ নকৰে। সেয়ে মই যানাঝা দেখি এয়াই কৈছিলো আৰু এই বাক্যৰ কাৰণে আল্লাহে মোক ক্ষমা কৰি দিছে।" ছুব্হানাল্লাহ! (ইয়াহ্ইয়া-উল-উ'লুম, খণ্ড- ৫, পৃষ্ঠা- ২৬৬)

**যানাঝাৰ নামাজ উপদেশস্থল ঃ**

হযৰত ছায়্যিদুনা আবু যাৰ গিফাৰী (ৰাঃ)এ ইৰ্শাদ কৰিছে মোক হুজুৰ পূৰনূৰ (স্বাঃ)এ কৈছে- "কবৰসমূহৰ যিয়াৰত কৰা যাতে আখিৰাতৰ কথা স্মৰণ হয় আৰু মৃত ব্যক্তিক গোছল দিয়া কিয়নো ধ্বংসশীল শৰীৰ (অৰ্থাৎ মৃত শৰীৰ)ৰ স্পৰ্শ বৰ ডাঙৰ উপদেশ। যানাঝা নামাজ পঢ়া কাৰণ ই তোমাক চিন্তিত কৰিব কিয়নো চিন্তিত মানুহ আল্লাহৰ ছায়াত থাকে আৰু নেকীৰ কাম কৰি থাকে।" (আল্ মুছ্তাদৰাক লিল হাকিম খণ্ড-১, পৃষ্ঠা-১১, হাদীচ নং- ১৪৩৫, প্ৰকাশক- দাৰুল মা'ৰিফাত, বেইৰুত)

**বালিগ্ব পুৰুষ আৰু মহিলাৰ যানাঝাৰ দুআ' ঃ**

اَللّٰهُمَّ اغْفِرْ لِحَيِّنَا وَمَيِّتِنَا
وَشَاهِدِنَا وَغَائِبِنَا وَصَغِيْرِنَا
وَكَبِيْرِنَا وَذَكَرِنَا وَاُنْثَانَا ط
اَللّٰهُمَّ مَنْ اَحْيَيْتَهٗ مِنَّا
فَاَحْيِهٖ عَلَى الْاِسْلَامِ
وَمَنْ تَوَفَّيْتَهٗ مِنَّا فَتَوَفَّهٗ
عَلَى الْاِيْمَانِ ط





{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "যিজন ব্যক্তি মানুহৰ মাজত সকলোতকৈ কৃপণ যাৰ ওচৰত মোৰ নাম উচ্চাৰণ হয় আৰু মোৰ ওপৰত দৰুদ নপঢ়িলে।" }

**দুআ'** ঃ আল্লাহুমাগ্ব্ ফিৰ্লি হাইয়্যিনা ৱা মায়্যিতিনা ৱা শ্বা-হিদিনা ৱা-গাঈবিনা ৱা স্বাগিৰীনা ৱা কাবীৰিনা ৱা জাকাৰিনা ৱা উংচানা, আল্লাহুম্মা মান আহ্ইয়াইতাহু মিন্না ফাআহ্য়িহী আ'লাল্ ইছলাম, ৱা মান্ তাৱাফ্ ফাইতাহু মিন্না ফাতাওৱাফ্ ফাহু আ'লাল ঈমান, বিৰাহ্মাতিকা ইয়া আৰ্হামাৰ ৰা-হিমীন।

অৰ্থ ঃ "হে আল্লাহ! আমাৰ জীৱিত আৰু মৃত, উপস্থিত আৰু অনুপস্থিত, ডাঙৰ আৰু সৰু আৰু স্ত্ৰী-পুৰুষ সকলোকে ক্ষমা কৰা। হে আল্লাহ! আমাৰ যি সকলক (যি পৰ্যন্ত) জীয়াই ৰাখিবা ইছলামৰ সৈতে জীয়াই ৰাখিবা আৰু আমাৰ মাজৰ যাক মৃত্যুদান কৰিবা তেওঁক ঈমানৰ সৈতে মৃত্যুদান কৰিবা, তোমাৰেই অনুগ্ৰহেৰে, হে সৰ্বশ্ৰেষ্ঠ কৰুণাময়।"

**নাবালিগ্ব সন্তান (ল'ৰা)ৰ দুআ' ঃ**

اَللّٰهُمَّ اجْعَلْهُ لَنَا فَرَطًا
وَّاجْعَلْهُ لَنَا اَجْرًا وَّ
ذُخْرًا وَّاجْعَلْهُ لَنَا
شَافِعًا وَّ مُشَفَّعًا ط

**দুআ'** ঃ আল্লাহুম্মায আ'ল্হুলানা ফাৰাত্বাও ৱায আ'ল্হুলানা আয্ৰাও ৱা জুখ্ৰাও ৱায্ আ'লহুলানা শ্বা-ফিআ'ও ৱা মুচাফ্ফাআ'।

অৰ্থ ঃ "হে আল্লাহ! উক্ত জনক আমাৰ আগত দিয়ক আৰু আমাৰ কাৰণে পূণ্য সঞ্চয়কাৰী আৰু আমাৰ কাৰণে অনুৰোধকাৰী আৰু প্ৰাৰ্থনাকাৰী সৃষ্টি কৰক।"

**নাবালিগ্ব সন্তান (ছোৱালী)ৰ দুআ' ঃ**

اَللّٰهُمَّ اجْعَلْهَا لَنَا فَرَطًا
وَّاجْعَلْهَالَنَا اَجْرًا وَّ
ذُخْرًا وَّاجْعَلْهَا لَنَا
شَافِعَةً وَّ مُشَفَّعَةً ط

**দুআ'** ঃ আল্লাহুম্মায আ'ল্হালানা ফাৰাত্বাও ৱায আ'ল্হালানা আয্ৰাও ৱা জুখ্ৰাও ৱায্ আ'লহালানা শ্বা-ফিআতাও ৱা মুচাফ্ফাআ'হ।

pdf By Syed Mostafa Sakib





অৰ্থ ঃ “হে আল্লাহ! উক্ত জনক আমাৰ আগত দিয়ক আৰু আমাৰ কাৰণে পূণ্য সঞ্চয়কাৰী আৰু আমাৰ কাৰণে অনুৰোধ কাৰী আৰু প্ৰাৰ্থনাকাৰী সৃষ্টি কৰক।”

**যানাঝা নামাজৰ নিয়ম (হানাফী মাযহাব অনুযায়ী) ঃ**

মুক্তাদীয়ে এনেভাৱে নিয়ত কৰিব নিয়ত ঃ নাওৱাইতুআন্ উৱাদ্দিয়া আৰবাআ' তাক্বীৰাতি স্বালাতিল যানাঝাতি ফাৰদ্বিল কিফায়াতি ওৱাচ্ছানাউ লিল্লাহি তাআ'লা ওৱাস্বালাতু আ'লান নাবীয়্যি ওৱাদ্দুআ'উ লিহা-জাল (স্ত্ৰী হ'লে 'লিহা-জিহিল' ক'ব) মাইয়্যিতি মোতাওৱাজ্ জিহান ইলা জিহাতিল কা'বাতিচ শ্বৰীফাতি আল্লাহু আকবাৰ। (মোক্তাদিসকলে 'মোতাওয়াজ্জিহান'ৰ ঠিক আগত 'ইক্তাদায়তু বিহা-জাল' ইমাম ক'ব)

অৰ্থ ঃ “আল্লাহতাঅ'লাৰ উদ্দেশ্যে কা'বা শ্বৰীফৰ দিশে মুখ কৰি মই 'ফৰজে কিফায়া' যানাঝা নামাজ চাৰি তক্বীৰ সহিতে আদায় কৰিবলৈ মনস্থ কৰিলোঁ, সমুদায় প্ৰশংসা আল্লাহৰ বাবে আৰু আমাৰ নবী (স্বাঃ)ৰ ওপৰত শান্তি বৰ্ষিত হওক আৰু এই মুৰ্দাৰ ওপৰত মঙ্গল কামনা হওক, মই এই ইমামৰ অনুসৰণ কৰিলোঁ, মোৰ মুখ কা'বা শ্বৰীফৰ পিনে, আল্লাহ অতি মহান।” এইবাৰ মুক্তাদী আৰু ইমাম উভয়ে কাণ পৰ্যন্ত হাত উঠাই আল্লাহু আকবাৰ ক'ব। নিয়মানুযায়ী নাভীৰ তলত হাত বান্ধিব আৰু ছানা পঢ়িব। ইয়াত وَتَعَالٰى جَدُّكَওৱাতাআ'লা যাদ্দুকাৰ ঠাইত وَجَلَّ ثَنَاؤُكَ وَلَا اِلٰهَ غَيْرُكَ ওৱা যাল্লা চানাউকা ৱলা ইলাহা গাইৰুকা পাঠ কৰিব। পিছত হাত নুঠোৱাকৈ আল্লাহু আকবাৰ কৈ পিছত দৰূদে ইব্ৰাহীম পঢ়িব, ইয়াৰ পিছত হাত নুঠোৱাকৈ আল্লাহু আকবাৰ ক'ব আৰু দুআ' (আল্লাহুম্মাগ্ ফিৰ্লি...) পাঠ কৰি (ইমাম চাহেবে তকবীৰ সমূহ উচ্চ আৱাজত ক'ব আৰু মুক্তাদীসকলে নিম্নস্বৰত পাঠ কৰিব) দুআ'ৰ শেষত পুনৰ আল্লাহু আকবাৰ ক'ব আৰু হাত এৰি দি পিছত উভয় দিশে ছালাম ফিৰাব। (হাচিয়াতুত তাহ্তাৱী, পৃষ্ঠা- ৫৮৪, ফাতাৱা-ই-তাতাৰখানিয়াহ্, খণ্ড-২, পৃষ্ঠা-৫৩, বাহাৰে শ্বৰীঅ'ত, ৪ৰ্থ খণ্ড, পৃষ্ঠা-১৫৪)

আৰম্ভণীতে মুৰ্দাৰ সৈতে যানাঝা খাতখন পৰিষ্কাৰ তথা নিজা মাটিত বা কাৰো দাবী নথকা ঠাইত এনেদৰে ৰাখিব লাগে যাতে মূৰটো উত্তৰ দিশে হৈ থাকে। মুখখন কিঞ্চিত কা'বা শ্বৰীফৰ ফালে মুখ কৰি হালি থাকে। ইমাম মুৰ্দাৰ বুকুৰ পোনত কা'বা মুখী হৈ মুক্তাদিৰ আগত থিয় হ'ব লাগে। মুক্তাদিসকল তিনিটা, পাঁচটা বা সাতটা অৰ্থাৎ বেযোৰ শাৰী কৰি, শাৰীবোৰ পোন কৰি ইমামৰ পিছত থিয় হ'ব লাগে। এই মুহূৰ্তত মুৰ্দাৰ নিকট আত্মীয়ই বা অন্য নেতৃস্থানীয় ব্যক্তিয়ে মুৰ্দাৰ হৈ কাৰোবাৰ ধাৰ বা অন্য দাবী (হক্ব) আদায় দিবলগীয়া আছে নেকি তাক ৰাজহুৱাকৈ







সোধে আৰু তেতিয়া কাৰোবাৰ কিবা পাবলগীয়া বা দিবলগীয়া বা অন্য দাবী থাকিলে তাক তেওঁলোকে দিবলৈ ৰাজী হয়। তাৰোপৰি মুৰ্দাৰ সমৰ্থনত প্ৰশংসা সূচক বক্তব্য ৰখা হয়। যাক জামাআ'তত চামিল হোৱা লোকসকলেও আনুষ্ঠানিকভাৱে সমৰ্থন কৰে। এই সম্পৰ্কত বুখাৰী শ্বৰীফৰ এটি হাদীচ উল্লেখ কৰিব পাৰি - হযৰত আনাছ ইব্নে মালিক ৰাদ্বিয়াল্লাহু আ'নহুৰ পৰা বৰ্ণিত আছে- এবাৰ কিছুমান মানুহ যানাঝাৰ কাষেদি যোৱাৰ সময়ত তেওঁলোকে মৃত ব্যক্তিৰ প্ৰশংসা কৰিছিল। ৰছূলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে এই প্ৰশংসাসূচক কথা শুনি কৈছিল, “ওৱাজিব হৈ গ'ল।” ইয়াৰ পিছত আন এটি যানাঝাৰ কাষেদি যোৱাৰ সময়ত এই মৃত ব্যক্তিৰ বদনাম শুনি ক'লে, “ওৱাজিব হৈ গ'ল।” এই কথা শুনি হযৰত উ'মৰ ফাৰুক্ব (ৰাঃ)এ ৰছূলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক সুধিলে- “কি ওৱাজিব হ'ল?” উত্তৰত ৰছূলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ক'লে- “যিজন ব্যক্তিৰ প্ৰশংসা কৰিলে তাৰ বাবে যান্নাত ওৱাজিব হৈ গ'ল আৰু যিজন ব্যক্তিৰ বদনাম কৰিলে তাৰ বাবে জাহান্নাম ওৱাজিব হৈ গ'ল। কাৰণ পৃথিৱীত তোমালোক আল্লাহৰ সাক্ষী।” সেয়ে মুৰ্দাক সন্মুখত ৰাখি উপস্থিত সকলৰ আগত ইমামে মুৰ্দাৰ জীৱনৰ ভাল কামবোৰ উল্লেখ কৰা ভাল। মুৰ্দা সম্পৰ্কত সকলো লেনা-দেনা ফয়চালা (নিষ্পত্তি) হোৱা জৰুৰী। অন্যথাই ই ক্বিয়ামত পৰ্যন্ত বৈ যাব আৰু আল্লাহৰ ওচৰত কঠোৰ বিচাৰৰ সন্মুখীন হ'ব। যি এক অতি ডাঙৰ বিপদ। লেনা-দেনা ফয়চালা হোৱাৰ পিছত ইমামে নামাজ আৰম্ভ কৰিব।

**যানাঝা নামাজৰ পিছৰ দুআ' ঃ**

যানাঝা নামাজৰ শেষত কিছু ছুৰা আৰু দৰূদ শ্বৰীফ পাঠ কৰি হাত উঠাই মাইয়্যাতৰ বাবে দুআ' কৰা হয়। অৱশ্যে এই দুআ'ৰ সময়ত মানুহে নামাজৰ দৰে শাৰী হৈ নাথাকে বৰং লাইন ভাঙি থিয় হয়। নিশ্চয় দুআ' এটি ভাল কাম, ইয়াত মুৰ্দাৰ ক্ষতি নাই। এনে এটি হাদীচ ভিত্তিক প্ৰতিষ্ঠিত কৰ্মক সমাজৰ পৰা উঠাই দিয়া নিশ্চয় উচিত নহ'ব। বৰ্তমান তব্লীগী জামাআ'ত এই অনুচিত কৰ্মৰ ধাৱক বাহক হৈছে। তেওঁলোকৰ মেহনতত সমাজৰ কিছুমান প্ৰান্তৰ পৰা এই দুআ' উঠিবলৈ আৰম্ভ কৰিছে। তেওঁলোকৰ দাবী হ'ল 'যানাঝাৰ পিছত দুআ' বিদ্আ'ত আৰু এই বিদ্আ'ত কামক সমাজৰ পৰা উৎখাত কৰি দিয়া জৰুৰী।' (লা হাওলা ওৱালা কুওৱাতা ইল্লা বিল্লাহ!) জিন্দা আৰু মুৰ্দাৰ বাবে দুআ' কৰা হ'ল মুছলমানৰ কৰ্তব্য। এই কৰ্তব্যৰ পিছত কুৰ্আন-হাদীচৰ বহু দলিল আছে। বিশেষকৈ যানাঝা নামাজৰ পিছত দুআ' কৰা সম্পৰ্কে মিশ্বকাত শ্বৰীফৰ ১৪৬ পৃঃত আছে, হুজুৰ পাক (স্বাঃ)এ কৈছে—

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "ক্বিয়ামতৰ দিনা সৰ্বপ্ৰথম নামাজৰ হিচাপ লোৱা হ'ব।" }

اذا صليتم على الميت فاخلصوا له الدعا অৰ্থাৎ— "যেতিয়া তোমালোকে মাইয়্যাতৰ ওপৰত নামাজ পঢ়া শেষ কৰিবা তেতিয়া লগে লগে তেওঁৰ বাবে খাঁটি অন্তৰে দুআ' আদায় কৰা।" হাদীচ শ্বৰীফত যেতিয়া লগে লগে দুআ' কৰাৰ কথা কোৱা হৈছে তেতিয়াহ'লে সেই দুআ'ক উঠাবৰ বাবে যিসকলে দিনে নিশাই মেহনত কৰি আছে তেওঁলোক নিশ্চয় শ্বয়তানৰ প্ৰৰোচনাত আছে। তব্‌লীগী জামাআ'তৰ কথা হ'ল 'যানাঝা মানেই দুআ'। ইয়াৰ পিছত আকৌ দুআ' কৰাৰ প্ৰয়োজন কি?' ইয়াৰ উত্তৰত কওঁ যে দুআ'ৰ পিছত দুআ' কৰা ক্বুৰআন-হাদীচত নিষেধ নাই। যদি নিষেধ কৰা আছে তেনেহ'লে তেওঁলোকে দেখুৱাই দিয়ক? আৰু যদি নিষেধ কৰা নাথাকে তেনেহ'লে নিষেধ কৰিব যোৱা শ্বয়তানী কাম হ'ব। দ্বিতীয়তে- যানাঝাৰ অৰ্থ দুআ' নহয়। আজি পৰ্যন্ত কোনোৱে কোৱা শুনা নাই যে আহক যানাঝাৰ দুআ' কৰি আহো বৰং সকলোৱে কয় আহক যানাঝাৰ নামাজ পঢ়ি আহো। দেওবন্দী জগতৰ হাকিমূল উম্মত মৌঃ আশ্ৰফ আ'লী থানৱীয়ে 'বেহেস্তী জেওৰ'ত যানাঝাৰ নামাজ বুলি কৈছে। যানাঝাৰ দুআ' বোলা নাই। এই যানাঝাৰ মাজত জিন্দা আৰু মুৰ্দাৰ বাবে কিছু দুআ' পাঠ কৰা হয়। যদি এক মুহূৰ্তৰ বাবে মানি লোৱা হয় যে যানাঝাৰ অৰ্থ হ'ল দুআ' তথাপিও এই দুআ'ৰ পিছত হাত উঠাই দুআ' কৰা নিষেধ নহ'ব। আচল কথা হ'ল যানাঝা নামাজো নহয়, দুআ'ও নহয়। বৰং ই মাইয়্যাতৰ বাবে এটি বিশেষ ইছলামী কৰ্ম। যানাঝা এইবাবে নামাজ নহয় ইয়াত ৰুকু, ছিজদাহ, বৈঠক, আত্তাহিয়্যাতু নাই। উল্লেখ্য যে ৰুকু ও ছিজদাহবিহীন কোনো নামাজ নাই। আকৌ যানাঝা এইবাবে দুআ' নহয় কিয়নো দুআ'ৰ বাবে অজু কৰা চৰ্ত নহয় তাৰোপৰি কিব্‌লামুখী হোৱা, তকবীৰে তহ্‌ৰীমা বন্ধা, থিয় হোৱা, নামাজৰ নিচিনা লাইন কৰি থিয় হোৱা, ইমাম ও মোক্তাদি হোৱা, সোঁফালে-বাঁওফালে ছালাম ফিৰোৱা দুআ'ৰ চৰ্ত নহয়। অথচ এইবিলাক যানাঝাৰ ভিতৰত অৱশ্যেই পোৱা যায়। ইয়ে প্ৰমাণ কৰে যে 'যানাঝা' হ'ল মুৰ্দাৰ বাবে বিশেষ নিয়মৰ আ'মল'। এই যানাঝাৰ ভিতৰত যি বিশেষ বিশেষ দুআ' পাঠ কৰা হয় সেইবিলাক হাত উঠাই পাঠ কৰা নহয় বৰং মুৰ্দাৰ বাবে নিজৰ আবেগানুযায়ী দুআ' কৰা হৈ থাকে। সেয়ে পিছত আমি মুৰ্দাৰ বাবে মনে বিচৰা প্ৰাৰ্থনা দৰবাৰে ইলাহীত পেশ্ব কৰিম, এয়া কেনেকৈ নাজায়েজ হ'ব? চিন্তা কৰক। বিৰোধিসকলে কয় —"যানাঝাৰ পিছত দুআ' কৰা নাজায়েজ।" ইয়াৰ দলিল হিচাপে 'বাহাৰুৰ ৰায়িক', 'জামিউৰ ৰুমুয', 'ফত্‌ৱা বাজাজীয়া' আদি কেইখনমান গ্ৰন্থৰ নাম উল্লেখ কৰে। এই ক্ষেত্ৰত ক'ব পাৰি জায়েজ নাজায়েজ হ'বলৈ ইয়াত কোনো কাৰণ থাকিব লাগিব। কিছু কিতাপত যানাঝাৰ পিছত দুআ'





{ "তোমালোকৰ মাজত সেইজন ব্যক্তি শ্ৰেষ্ঠ যিজনে (নিজে) ক্বুৰআন শিকে আৰু (আনকো) শিকায়।" }

কৰাৰ বাবে থিয় হোৱাক মক্‌ৰুহ বোলা হৈছে। যেনে- ফত্‌ৱা আ'লমগীৰীৰ লগতে ফত্‌ৱা বাজাজীয়াত মক্‌ৰুহ বোলা হৈছে। ইয়াৰ বাহিৰেও আৰু কিছু কিতাপত মক্‌ৰুহ বোলা হৈছে। কিয় মক্‌ৰুহ বোলা হৈছে সেই সম্পৰ্কে ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)এ ফত্‌ৱা ৰিজ্‌ৱীয়্যাত বিস্তাৰিত আলোচনা আগবঢ়াইছে। বিস্তাৰিত আলোচনাৰ অন্তত তেওঁ মকৰুহ হোৱাৰ দুটি কাৰণ দেখুৱাইছে। এটা হ'ল যানাঝাৰ নামাজৰ ছালামৰ পিছত ঠিক এই অৱস্থাত (শাৰী হৈ থকা অৱস্থাত) দুআ' আৰম্ভ কৰি দিলে দূৰৰ পৰা মানুহৰ সন্দেহ হ'ব যে যানাঝা হৈ আছে। এতিয়া যদি লাইন ভাঙি দি বিক্ষিপ্তভাৱে থিয় হৈ দুআ' কৰা হয় তেনেহ'লে মকৰুহ নহয়। সাধাৰণতে আমি এনেধৰণে দুআ' কৰি থাকো। সেয়ে যানাঝাৰ পিছত দুআ' কৰাত কোনো ক্ষতি নাই। যি কাৰণত মক্‌ৰুহ বোলা হৈছে সেই দোষ ইয়াত নাই। যানাঝাৰ পিছত দুআ' কৰা মক্‌ৰুহ হোৱাৰ দ্বিতীয় কাৰণ হ'ল যে ইমামে দীৰ্ঘসময় ধৰি দুআ' কৰিলে দফনত বিলম্ব হয়। এক-আধা ঘন্টা দুআ' কৰা এনেক্ষেত্ৰত দুআ' মক্‌ৰুহ হ'ব। উল্লেখ্য যে 'যানাঝা'ৰ পিছত যি দুআ' কৰা হয় ইয়াত দফন কাৰ্যত পলম নহয় লগতে কোনো বিৰক্তিও নহয়। সেয়ে যানাঝাৰ পিছত এনেধৰণৰ দুআ'ত কোনো ক্ষতি নহয়। কাৰণ যি কাৰণত মক্‌ৰুহ বোলা হৈছিল সেই কাৰণ ইয়াত পোৱা যোৱা নাই। যিসকলে 'যানাঝা'ৰ পিছত দুআ' কৰা নাজায়েজ বুলি কয় তেওঁলোকে ইয়াৰ কাৰণ বৰ্ণনা কৰক? পেচাব-পায়খানাৰ দুআ' শিকিবৰ বাবে দৌৰা-দৌৰি কৰে কিন্তু এটি প্ৰয়োজনীয় দুআ'ক উঠাবৰ বাবে ব্যস্ত হৈ পৰিছে। ই কেনে কথা? সি যিয়েই নহওক আমাৰ ছুন্নী ভাইসকল, যেতিয়া ছুন্নীয়াতৰ ইমাম আ'লা হযৰত আহমদ ৰেজাখাঁ (ৰহঃ)ই ক্বুৰআন-হাদীচৰ আলোকত অকাট্য দলিলৰ দ্বাৰা ফয়চালা কৰি দিছে আৰু বৰ্তমান পাক-ভাৰত উপ মহাদেশৰ ছুন্নী উ'লামাসকলে এই মাছআলাত কোনোপ্ৰকাৰ মতভেদ নকৰি যানাঝাৰ পিছত দুআ' কৰিবলৈ প্ৰেৰণা দিছে।

**জোতাৰ ওপৰত থিয় হৈ যানাঝা নামাজ পঢ়া ঃ**

বহু লোকে জোতাৰ ওপৰত থিয় হৈ নামাজ আদায় কৰে। যদি জোতাৰ ওপৰত নামাজ আদায় কৰে তেনেহ'লে জোতা আৰু ইয়াৰ তলৰ ভূমি উভয়েই পবিত্ৰ হোৱা আৱশ্যক আৰু যদি জোতাৰ ওপৰত থিয় হৈ পঢ়ে তেনেহ'লে জোতা পবিত্ৰ হোৱা আৱশ্যক। (হাচিয়াতুত তাহতাৱী, পৃষ্ঠা- ৫৮২) জোতাৰ ওপৰত থিয় হৈ নামাজ নপঢ়া অতি উত্তম। যমীনৰ ওপৰত থিয় হওক, সম্ভৱ হ'লে পকেটৰ ৰুমাল ভৰিৰ তলত পাৰি দিয়ক। জোতাৰ তলত গোবৰ আদি নাপাকী লাগি থাকিব পাৰে। সেয়ে জোতা-চেন্দেল খুলি থোৱা উচিত।



pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "নামাজৰ দ্বাৰা শ্বয়তানৰ মুখ ক'লা হয়।" }

**যানাঝাত কিমানটি কাতাৰ হোৱা উচিত ঃ**

যানাঝাত তিনিটা কাতাৰ হোৱা উত্তম। কিয়নো হাদীচ পাকত আছে, "যাৰ যানাঝা নামাজ তিনি কাতাৰ হৈ পঢ়া হ'ব তাৰ মাগ্ফিৰাত বা ক্ষমা হৈ যাব।" (জামি' তিৰমিযী, খণ্ড-১, পৃষ্ঠা- ২২) যদি সৰ্বমুঠ সাতজন লোক হয় তেনেহ'লে এজন ইমাম হ'ব বাকীসকলৰ ভিতৰত প্ৰথম কাতাৰত তিনিজন থিয় হ'ব, দ্বিতীয় কাতাৰত দুইজন আৰু তৃতীয় কাতাৰত এজন থিয় হ'ব। (গুনিয়াতুল মুছতামলা, পৃষ্ঠা- ৫৪১) যানাঝাৰ নামাজৰ পিছৰ কাতাৰ সকলোতকৈ উত্তম। (দুৰ্‌ৰে মুখতাৰ ৰদ্দুল মুহতাৰ সহ, খণ্ড- ৩, পৃষ্ঠা-১৩১)

**যানাঝা নামাজ সম্পূৰ্ণ নাপালে কি কৰিব ঃ**

মাচবুক (অৰ্থাৎ যাৰ তকবীৰ এৰা গৈছে তেওঁ) নিজৰ অৱশিষ্ট তকবীৰ ইমামে ছালাম ফিৰোৱাৰ পিছত কৈ পিছত ছালাম ফিৰাওক আৰু যদি ধাৰণা হয় যে দুআ' পঢ়িলে পূৰ্ণ কৰাৰ পূৰ্বেই মানুহে যানাঝা কান্ধত উঠাব তেতিয়া কেৱল তকবীৰ সমূহ কওঁক, দুআ' ক'ব নালাগে। (গুনিয়াতুল মুছতাম্‌লা, পৃষ্ঠা ৫৩৭) ৪ৰ্থ তকবীৰৰ পিছত যি আহিল সি (যেতিয়া পৰ্যন্ত ইমামে ছালাম ফিৰোৱা নাই) জামাআ'তত অংশগ্ৰহণ কৰিব আৰু ইমামৰ ছালাম ফিৰোৱাৰ পিছত তিনিবাৰ আল্লাহু আকবাৰ ক'ব। (দুৰ্‌ৰে মুখতাৰ ৰদ্দুল মুহতাৰ সহ, খণ্ড- ৩, পৃষ্ঠা-১৩৬) পিছত ছালাম ফিৰাব।

**ভালেকেইটা যানাঝা একেলগে পঢ়াৰ নিয়ম ঃ**

কেইবাটাও যানাঝা একেলগে পঢ়িব পাৰি। ইয়াত চৰ্ত এই যে সকলো মৃতব্যক্তিক সন্মুখত ৰখা অৰ্থাৎ সকলোৰে বক্ষ (বুকু) ইমাম চাহেবৰ ওচৰত থাকিব। অথবা কাতাৰবদ্ধভাৱে অৰ্থাৎ এজনৰ ভৰি বৰাবৰ অন্যজনৰ শিয়ৰ আৰু দ্বিতীয়জনৰ ভৰি বৰাবৰ তৃতীয়জনৰ শিয়ৰ। এই নিয়মত যিমানজন হয় পঢ়িব পাৰে। (বাহাৰে শ্বৰীঅ'ত, ৪ৰ্থ খণ্ড, পৃষ্ঠা-১৮৮, মাদীনাতুল মুৰ্শ্বিদ, বেৰেলী শ্বৰীফ)

**পাগল বা আত্মহত্যাকাৰীৰ যানাঝা ঃ**

যি জন্মগত পাগল অথবা বালিগ্ব হোৱাৰ পূৰ্বে পাগল হৈছে আৰু এই পাগলৱস্থাত মৃত্যু হ'লে তাৰ যানাঝাত নাবালিগ্বৰ দুআ' পঢ়িব। (তাহ্‌তাৱী, পৃষ্ঠা- ৫৮৭, শ্বৰহে নূৰুল ইজা, পৃঃ ৩৫৫, দুৰ্‌ৰে মুখতাৰ, খণ্ড- ১, পৃঃ-৬১২ ) যি ব্যক্তিয়ে আত্মহত্যা কৰিছে তাৰ যানাঝাৰ নামাজ পঢ়া যাব। (দুৰ্‌ৰে মুখতাৰ, ৩/১০৮)

**মৃত কেঁচুৱাৰ আহকাম ঃ**

মুছলমানৰ সন্তান জন্ম হ'ল অৰ্থাৎ অধিকাংশ অংশ বাহিৰ হোৱাৰ সময়ত জীৱিত আছিল পিছত মৃত্যু হ'ল। তাৰ গোছল আৰু কফন দিব লাগিব আৰু তাৰ



pdf By Syed Mostafa Sakib



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "দ্বীনী ইল্‌ম (শিক্ষা) আহৰণ কৰা প্ৰত্যেক মুছলমান নৰ-নাৰীৰ ওপৰত ফৰজ।" }

যানাঝাৰ নামাজ পঢ়িব লাগিব। অন্যথা মৃত হৈ শিশু জন্ম হ'লে কেৱল গোছল দি এটি কাপোৰেৰে মেৰাই দফন কৰি দিব। তাক ছুন্নত মুতাবিক গোছল আৰু কফন পিন্ধাব নালাগে আৰু যানাঝাও পঢ়া নাযাব। মূৰৰ ফালৰ পৰা অধিকাংশ বাহিৰ হোৱাৰ সীমা হৈছে মূৰৰ পৰা ভৰি পৰ্যন্ত। পিছত যদি তাৰ মূৰ বাহিৰ হৈছিল আৰু চিৎকাৰ কৰি কন্দা-কটা কৰিলে কিন্তু ছীনা পৰ্যন্ত বাহিৰ হোৱাৰ পূৰ্বেই মৃত্যু হ'ল তেতিয়া তাৰ যানাঝা নামাজ পঢ়া নাযাব। ভৰিৰ দিশৰ পৰা অধিকাংশ হোৱাৰ সীমা হৈছে কঁকাল পৰ্যন্ত। বাচ্চা জীৱিত জন্ম হওক বা মৃত বা অপৰিপক্ক অৱস্থাত প্ৰসৱ হৈ গ'ল তাৰ নাম ৰখা যাব আৰু সেইভাৱে ক্বিয়ামতৰ দিনা উঠোৱা হ'ব। (দুৰ্‌ৰে মুখতাৰ, খণ্ড- ৩, পৃষ্ঠা-১৫২)

**কেঁচুৱাৰ যানাঝা বহন কৰাৰ পদ্ধতি ঃ**

সৰু বাচ্চাৰ যানাঝাক যদি এজন ব্যক্তিয়ে হাতত লৈ যায় তেতিয়াহ'লে অসুবিধা নাই আৰু এজন এজনকৈ হাতত লৈ যাব পাৰে। (আল্ বাহৰুৰ ৰাইক্, খণ্ড- ২, পৃষ্ঠা- ৩৩৫) মহিলাসকল (বাচ্চা হওক বা ডাঙৰ হওক প্ৰত্যেকৰ বাবে) যানাঝাৰ লগত যোৱা নাজায়িজ ও নিষিদ্ধ। (দুৰ্‌ৰে মুখতাৰ, খণ্ড- ৩, পৃষ্ঠা-১৬২)

**গ্বায়েবানা (মুৰ্দা অবিহনে) যানাঝা ঃ**

যানাঝাৰ বাবে মৃত ব্যক্তিক সন্মুখত ৰখা আৱশ্যক, গ্বায়েবানা নামাজ হ'ব নোৱাৰে। (দুৰ্‌ৰে মুখতাৰ, ৰদ্দুল মুহতাৰ সহ, খণ্ড-৩, পৃষ্ঠা- ১২৩) মুস্তাহাব হৈছে ইমাম চাহেব মৃত ব্যক্তিৰ বুকৰ সমানত থিয় হ'ব। (মাৰাক্বিউল ফালাহ্ হাচিয়াতুত তাহতাৱী সহ পৃষ্ঠা- ৫৮৩, ফাতাৱা ফাইজুৰ ৰছুল, খণ্ড-১, পৃষ্ঠা- ৪৪৭)

**যানাঝা নামাজৰ পিছত ঘূৰি অহাৰ মাছইল ঃ**

যি ব্যক্তি যানাঝাৰ লগত আছে তাৰ বাবে যানাঝা নামাজ আদায় নকৰি ঘূৰি অহা উচিত নহয়। নামাজৰ পিছত মৃত ব্যক্তিৰ অভিভাৱকৰ পৰা অনুমতি লৈ ঘূৰি আহিব পাৰে আৰু দফনৰ পিছত অনুমতিৰ প্ৰয়োজন নাই। (ফাতাৱা আ'লমগীৰী, খণ্ড-১, পৃষ্ঠা-১৬৫) উল্লেখ্য যে যানাঝা নামাজৰ আৰম্ভণিৰ পৰা দফন পৰ্যন্ত ফৰজে কিফায়াৰ অন্তৰ্ভুক্ত। সেয়েহে আটাইখিনি কাম সম্পন্ন কৰি অহা উচিত।

**স্বামীয়ে স্ত্ৰীৰ যানাঝা বহন কৰা সম্পৰ্কে ঃ**

স্বামীয়ে নিজৰ স্ত্ৰীৰ যানাঝা বহন কৰিব পাৰিব, কবৰত ৰাখিব পাৰিব আৰু মুখ দেখিব পাৰিব। কেৱল গোছল দিয়া আৰু বিনা পৰ্দাত স্পৰ্শ কৰা নিষিদ্ধ আছে। (দুৰ্‌ৰে মুখতাৰ ৰদ্দুল মুহতাৰ সহ খণ্ড- ৩, পৃষ্ঠা-১০৫) স্ত্ৰীয়ে নিজৰ স্বামীক গোছল দিব পাৰিব। (দুৰ্‌ৰে মুখতাৰ ৰদ্দুল মুহতাৰ সহ, খণ্ড- ৩, পৃষ্ঠা-১০৭)

pdf By Syed Mostafa Sakib

{ফৰ্মানে মুস্তাফা (স্বাঃ) "ফৰজ নামাজ জানি বুজি ত্যাগ নকৰিবা, যিয়ে জানি শুনি ফৰজ নামাজ ত্যাগ কৰে আল্লাহে তাৰ কোনো দায়িত্ব নলয়।"}

**কাফিৰৰ যানাঝা ঃ**

মুৰতাদ বা কাফিৰৰ যানাঝাৰ নামাজ সম্পৰ্কত ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)ৰ ফৰ্মান- "যদি বিশ্বাস কৰা হয় যে তাৰ যানাঝাত অংশগ্ৰহণৰ উপযুক্ত তেতিয়া কাফিৰ হৈ যাব আৰু যদি এই ধাৰণা ব্যতীত যায় তেতিয়া হাৰাম।" হাদীচ শ্বৰীফত আছে- "যদি কাফিৰৰ যানাঝা আহে তেতিয়া অন্য দিশে যোৱা উচিত। কিয়নো শ্বয়তানে আগে আগে অগ্নিশিখা হাতত লৈ লম্পজম্প দিয়ে, খুছীত নাচি নাচি যায় কিয়নো এজন ব্যক্তিৰ ওপৰত তাৰ চেষ্টা সফল হৈছে।" (মালফুযাত, খণ্ড- ৪, পৃষ্ঠা-৩৫৯, হামিদ এণ্ড কোম্পানী মাৰ্কাযুল আউলিয়া, লাহোৰ)

**বিবাহ বিচ্ছেদ ঃ**

দুনীয়াৰ লোভত কোনো মুৰতাদ বা কাফিৰৰ যানাঝাৰ নামাজ পঢ়া অকাট্য হাৰাম। দ্বীনৰ দিশেৰে ই চাৰাবৰ কাম। যি মুৰতাদ ও কাফিৰৰ যানাঝা পঢ়ায় আৰু ক্ষমা প্ৰাৰ্থনাৰ উপযুক্ত বুলি ভাবে সি নিজে মুছলমান হৈ নাথাকিল। তাৰ বিবাহো ভাঙি যাব। তাক তাজ্‌দীদে ইছলাম ও তাজ্‌দীদে নিকাহ্ কৰা উচিত। (ফাতাৱা-ই-ৰিজৱিয়্যাহ, খণ্ড-৯, পৃষ্ঠা-১৭৩, ৰাজা ফাউণ্ডেশ্বন মাৰ্কাযুল আউলিয়া, লাহোৰ)

আল্লাহ পাকে ছুৰা তাওবাহ্ৰ ৮৪ নং আয়াতত ইৰ্শ্বাদ ফৰ্মাইছে—

وَلَا تُصَلِّ عَلٰى اَحَدٍ مِّنْهُمْ
مَّاتَ اَبَدًا وَّلَا تَقُمْ عَلٰى
قَبْرِهٖ ط اِنَّهُمْ كَفَرُوْا بِاللّٰهِ
وَرَسُوْلِهٖ وَمَاتُوْا وَهُمْ
فٰسِقُوْنَ○

অৰ্থ ঃ "আৰু তেওঁলোকৰ মাজত কাৰো মৃতকৰ ওপৰত কেতিয়াও (যানাঝাৰ) নামাজ নপঢ়িবা আৰু কবৰৰ ওচৰত থিয় নহ'বা, নিশ্চয় তেওঁলোকে আল্লাহ আৰু ৰছুলক অস্বীকাৰ কৰিছে আৰু নিৰ্দেশ অমান্য কৰাৰ (ফাচিকী) মাজতেই মৃত্যুমুখত পতিত হৈছে।"

চাদৰুল আফাযিল হযৰত আ'ল্লামা ছায়্যিদ মুসাম্মাদ নাঈমুদ্দীন মুৰাদাবাদী (ৰহঃ)এ এই আয়াতৰ ব্যাখ্যাত কৈছে—"এই আয়াতৰ দ্বাৰা প্ৰমাণিত হ'ল যে কাফিৰৰ যানাঝাৰ নামাজ কোনো অৱস্থাতে জায়েজ নাই আৰু কাফিৰৰ কবৰৰ দফন আৰু যিয়াৰতৰ বাবে থিয় হোৱাও নিষিদ্ধ।" (খাযাইনুল ইৰ্ফান, পৃষ্ঠা- ৩২১, ৰাজা একাডেমী, মুম্বাই)





{ফৰ্মানে মুস্তাফা (স্বাঃ)- "পবিত্ৰতা ঈমানৰ অঙ্গ।"}

**কাফিৰক সেৱা শুশ্ৰূষা নকৰিবা ঃ**

হযৰত ছায়্যিদুনা জাবিৰ ইব্‌নে আ'ব্দুল্লাহ (ৰাঃ)ৰ পৰা বৰ্ণিত চৰদাৰে মক্কা-ই-মুকাৰ্ৰামাহ্, চৰকাৰে মদীনা (স্বাঃ)এ ইৰ্শ্বাদ কৰিছে- "যদি সি (কাফিৰ) অসুস্থ হৈ যায় তাক দেখিবলৈ নাযাবা, মৰি গ'লে যানাঝাত অংশগ্ৰহণ নকৰিবা।" (ছুন্নানে ইব্‌নে মাজাহ, হাদীচ নং- ৯২, খণ্ড- ১, পৃষ্ঠা- ৭০)

**কবৰ দিয়া বা দফন ঃ**

মানুহে কবৰ দিয়া নিয়ম হযৰত আদম (আঃ)ৰ সময়ৰ পৰাই চলি আহিছে। বিবাহজনিত কাৰণত কাবিলে হাবিলক হত্যা কৰে। এতিয়া কাবিলে মৃত হাবিলক লৈ কি কৰিব তাকে ভাবি থাকোতে মহান আল্লাহ পাকে দুটি কাউৰী পঠিয়াই দিলে। কাউৰী দুজনীয়ে পৰস্পৰ কাজিয়া কৰি এটা কাউৰীয়ে আনটি কাউৰীক মাৰি পেলায়। মৃত কাউৰীটোক আনটি কাউৰীয়ে ঠোটেৰে মাটিত গাঁত কৰি তাত পুতি থ'লে। ইয়াকে কাবিলে দেখি একেদৰে মৃত হাবিলক মাটিত গাঁত খান্দি দফন কৰিলে। তেতিয়াৰ পৰাই কবৰ দিয়াৰ প্ৰথা বৰ্তমানলৈ চলি আহিছে।

**কবৰ দুই প্ৰকাৰৰ ঃ**

(১) সক্।

(২) লহদ। (মিশ্বকাত, পৃষ্ঠা-১৪৮, মুছলিম শ্বৰীফ)

লহদ কবৰ দিয়া ছুন্নত। এই কবৰৰ গভীৰতা প্ৰায় নাভি তথা বুকু পৰ্যন্ত। মুৰ্দাৰ সম পৰিমাণ উত্তৰৰ পৰা দক্ষিণলৈ দীঘল। প্ৰস্থ প্ৰায় আঢ়ৈ (২১/২) হাত।

সাধাৰণতে এটা কবৰত এজনকে দফন কৰা হয়। ঠাইৰ অভাৱত তিনিজনক দিব পাৰি যদিও কাষত মাটি দি পৃথকে ৰাখিব লাগে। যদি কোনো মহিলাই সন্তান প্ৰসৱ কৰি সন্তানসহ নিজেও মৰি যায় তেতিয়া মহিলাৰ যানাঝা পঢ়ি বিনা যানাঝাই সন্তানকো একেলগে এটা কবৰতে দফন কৰিব পাৰি।

মুৰ্দাৰ দফন ঃ যানাঝা নামাজৰ পিছত যানাঝা কবৰৰ পশ্চিম পিনে ৰাখিব লাগে। এতিয়া দুজন ব্যক্তি কবৰত নামি লৈ নিম্ন দুআ'টো পঢ়ি মুৰ্দাটো কবৰত এনেদৰে ৰখা হয় যাতে মুৰ্দাৰ মুখখন কিঞ্চিত কা'বাৰ দিশে হালি থাকে, হাত দুখন দুই কাষে থাকে। ভৰি দুখনো পোন হৈ থাকে। কফনৰ বান্ধ খুলি দিয়া হয়।

দুআ' ঃ "বিছ্‌মিল্লাহি ৱা আ'লা মিল্লাতি ৱা আ'লা ছুন্নাতি ৰাছুলিল্লাহ (স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম)।"

কবৰৰ ওপৰত বাঁহৰ পঠালি গড় দিওঁতে পুৰুষৰ ক্ষেত্ৰত ভৰিৰ দিশৰ পৰা দিব লাগে। এইদৰে দিয়া মুস্তাহাব। ইয়াৰ পিছত বাঁহৰ চোচ্ উত্তৰা দক্ষিণাকৈ দি তাৰ

pdf By Syed Mostafa Sakib



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "আল্লাহ পাকে ছিজদাহত ব্যৱহৃত হোৱা অঙ্গক দোজখৰ বাবে হাৰাম কৰি দিছে।" }

ওপৰত উলুৱণি খেৰ মেলি দিব লাগে, যাতে মাটি কবৰৰ ভিতৰত সৰকি নপৰে। মাটি দিবৰ সময়ত প্ৰত্যেক লোকে তিনি বাৰকৈ তিনি মুঠি মাটি দিয়া মুস্তাহাব। প্ৰথম মুঠি মাটি দিবৰ সময়ত "মিন্‌হা খালাক্ নাকুম", দ্বিতীয় মুঠি মাটি দিওঁতে "ৱা ফিহা নুঈ'দুকুম", তৃতীয় মুঠি মাটি দিওঁতে "ৱা মিন্‌হা নুখ্‌ৰি যুকুম তা-ৰাতান উখ্‌ৰা" ক'ব লাগে। (তাহ্‌তাৱী, বাহাৰে শ্বৰীঅ'ত) ইয়াৰ পিছত 'বিছমিল্লাহি ৱা আ'লা মিল্লাতি ৱা আ'লা ছুন্নাতি ৰাছুলিল্লাহ (স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম)' পঢ়ি গোটেই কবৰটো মাটিৰে উটৰ পিঠিৰ দৰে কৰি দিব লাগে। কবৰৰ মাটি খান্দোতে যি মাটি বাহিৰ হয় সেই মাটিকে দিয়া উচিত। অন্য স্থানৰ মাটি দিয়া মক্‌ৰুহ। শেষত কবৰ যদি শুকান হয় তেন্তে মূৰৰ দিশৰ পৰা তিনিবাৰ পানী ঢালি দিব লাগে।

**মহিলা মুৰ্দাৰ দফন ঃ** মহিলা মুৰ্দাৰ যানাঝাত খাতৰ পৰা মুৰ্দাটো কবৰত নমাওঁতে কবৰৰ ওপৰত এখন পৰ্দা তৰি দিব লাগে। বিবাহ দুৰস্ত নোহোৱা নিজৰ বাপেক, ভায়েক, পুত্ৰ আদি নিকটাত্মীয় লোকেহে স্ত্ৰী মুৰ্দাক কবৰত নমাব পাৰে, অন্য কোনো লোকৰ ক্ষেত্ৰত এয়া মক্‌ৰুহ। বাঁহ দিওঁতে মূৰৰ দিশৰ পৰা দিব লাগে। এয়া মুস্তাহাব।

**কবৰত খেজুৰৰ কেঁচা ডাল পোতা সম্পৰ্কত ঃ**

কবৰ দিয়া হোৱাৰ পিছত কবৰত কেঁচা খেজুৰৰ ডাল (পাত) পুতি দিয়া হয়। ই যিমান দিনলৈ তাজা থাকে সিমান দিনলৈ আল্লাহৰ জিক্‌ৰ কৰি থাকে। যাৰ চাৰাব মুৰ্দাই পাই থাকে। ছুৰা বনি ইস্ৰাইলত আছে- "পৃথিৱীৰ যত যিমান জীৱ-জন্তু, গছ-বন আছে সকলোৱে আল্লাহৰ তছবীহ আৰু জিক্‌ৰ কৰি থাকে।"

**দফনৰ পিছত তালক্বীন ঃ**

হাদীচ পাকত দফনৰ পিছত অনেক কৰণীয় কামৰ কথা কোৱা হৈছে। সেয়ে আমি সেইবিলাক অৱশ্যেই পালন কৰিবলৈ যত্ন কৰা উচিত। কাৰণ যিজন ইন্তেকাল কৰিছে তেওঁ নিৰুপায়। কোনো নিৰুপায় ব্যক্তিক সহায় কৰা মুছলমানৰ কৰ্তব্য। মিশ্বকাত শ্বৰীফৰ ১৪৯ পৃঃত আৰু আল্ আয্‌কাৰৰ ১৩৯ পৃঃত বৰ্ণিত হাদীচ পাকত কোৱা হৈছে— "এটি উটক জবেহ (নহৰ) কৰি মাংস বিতৰণ কৰিবলৈ যিমান সময় লাগিব সিমান সময় কবৰৰ চাৰিওফালে থিয় হৈ দুআ' কৰিব লাগে।" অনুৰূপ এই কিতাপত কোৱা হৈছে- "দফনৰ পিছত কবৰৰ ওচৰত মুৰ্দাৰ মূৰৰ শিতানত থিয় হৈ ছুৰা বাকাৰাৰ প্ৰথমাংশ 'আলিফ লাম মিমৰ পৰা মুফ্‌লিহুন' পৰ্যন্ত আৰু ভৰিৰ পিনে থিয় হৈ ছুৰা বাকাৰাৰ শেষাংশ 'আমানাৰ ৰছুলুৰ পৰা শেষ পৰ্যন্ত' পাঠ কৰিব লাগে। তালক্বীন কৰি দুআ' কৰিব লাগে।"





{ "তোমালোকৰ বাবে ৰছুল (স্বাঃ)ৰ পদাঙ্ক অনুসৰণৰ মাজতে আছে উত্তম নমুনা।" (ছুৰা আহযাব) }

**দফনৰ পিছৰ আজান ঃ**

এই আজান হাদীচ সন্মত। এই আজান যুগ যুগ ধৰি চলি আহিছে। ছুন্নীসকলৰ মাজত এই আজানক লৈ কোনো মতভেদ নাই। কথা হ'ল কোনো ঠাইত এই আজান প্ৰচলিত আছে আৰু কোনো ঠাইত নাই। এই সম্পৰ্কত বহু দলিল আছে। তাৰ ভিতৰত— শ্বৰহে মুছলিম, ১ম খণ্ড, ১০৭১ পৃঃ, ৰদ্দুল মুহ্‌তাৰ, ২য় খণ্ড, ২৩৫ পৃঃ, চহীহুল বুখাৰী, ৯১৩ পৃঃ, তফ্‌ছীৰে তিব্‌ইয়ানুল কুৰ্‌আন, ৫ম খণ্ড, ২২২ পৃঃ, নুজ্‌হাতুল ক্বাৰী শ্বৰহে বুখাৰী, ৩য় খণ্ড, ১০৩ পৃঃ, মিৰ্‌আতুল মানাযীহ শ্বৰ্হে মিশ্বকাতুল মাছাবীহ, ১ম খণ্ড, ৪০০ পৃঃ আৰু ২য় খণ্ড, ৪৯৭ পৃঃ, ফাতাৱা ৰিজ্‌ৱীয়্যাহ, ২য় খণ্ড, ৪৬৪ পৃঃ, বাহাৰে শ্বৰীঅ'ত, ৩য় খণ্ড, ৩১ পৃঃ, ফত্‌ৱা ফাইজুৰ ৰছুল, ১ম খণ্ড, ৪৫৫ পৃঃ, যা-আল হাক্ব, ১ম খণ্ড, ৩৭১ পৃঃ, ফত্‌ৱা ফক্বীহে মিল্লত, ১ম খণ্ড, ৯০ পৃঃ, ফত্‌ৱা আমজাদীয়া, ১ম খণ্ড, ৩২৮ পৃঃ, ফত্‌ৱা বৰ্‌কাতীয়া, ১২৩ পৃঃ, যান্নাতী জেওৰ, ২৭৫ পৃঃ, ফত্‌ৱা ইউৰোপ, ১০০/২৩০ পৃঃ, আন্‌ৱাৰুল হাদীচ, ২৩৮ পৃঃ, নিজামে শ্বৰীঅ'ত, ৭৪ পৃঃ, আন্‌ৱাৰে শ্বৰীঅ'ত, ৩৯ পৃঃ, ইছলামী জিন্দেগী, ১১৪ পৃঃ, ফত্‌ৱা মাৰ্‌কাযে তৰ্‌বীয়াতে ইফ্‌তা, ৫৪ পৃঃ, আছাইয়া শ্বৰীফ, ১০ পৃঃ, ইজানুল আজাৰ ফী আজানিল কবৰ, ফত্‌ৱা বাহাৰুল উ'লুম, ১ম খণ্ড, ১০৬/১১৭পৃঃ। এই আটাইকেইখন গ্ৰন্থ খুব ডাঙৰ আঠ-দহ খণ্ডত সমাপ্ত। এই গ্ৰন্থবিলাকত দফনৰ পিছৰ আজানৰ বহু ফজীলত বৰ্ণনা কৰা হৈছে যিবিলাক ইয়াত বৰ্ণনা কৰা সম্ভৱ নহয়। মুঠ কথা এই মাছআলাত উলামাএ আহ্‌লে ছুন্নতৰ কোনো দ্বিমত নাই। আজিৰ পৰা প্ৰায় ৮০০ বছৰ পূৰ্বে এই আজান প্ৰচলিত হৈছে।

**যান্নাতী (নেককাৰ)লোকৰ যানাঝা ঃ**

প্ৰিয় আক্বা মাদানী মুস্তাফা (স্বাঃ)এ নিৰাপত্তাৰ ইঙ্গিত কৰি কৈছে যে, "যান্নাতী (নেককাৰ) ব্যক্তিৰ যানাঝা যিসকল লোকে বহন কৰি লৈ যায় আৰু যিসকলে যানাঝা নামাজ আদায় কৰে সেইসকল ব্যক্তিক শাস্তি দিবলৈ আল্লাহে লাজ পায়।" ছুব্‌সানাল্লাহ! (আল্ ফিৰদাউচ বিমাছুৰিল খিতাব, খণ্ড-১, পৃষ্ঠা- ২৮২, হাদীচ নং- ১১০৮)

**কবৰৰ প্ৰথম উপহাৰ ঃ**

চৰকাৰে নামদাৰ, দুজাহানৰ মালিক ও মুখ্‌তাৰ, শ্বাহিনশ্বাহে আব্‌ৰাৰ মুসাম্মদ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ক্ষমাপ্ৰাপ্তিৰ সুসংবাদমূলক ফৰ্মান হৈছে, "মু'মিন যেতিয়া কবৰত প্ৰৱেশ কৰিব তেতিয়া তাক সৰ্বপ্ৰথম এই উপহাৰ প্ৰদান কৰা হয় যে তেওঁৰ যানাঝাৰ নামাজ আদায়কাৰীসকলক ক্ষমা কৰি দিয়া হয়।" ছুব্‌সানাল্লাহ!

pdf By Syed Mostafa Sakib



**কফন চোৰ ঃ**

এজনী নেক মহিলাৰ যানাঝা নামাজত এজন কফন চোৰ অংশগ্ৰহণ কৰিছিল আৰু সি কবৰৰ স্থান চিহ্নিত কৰিলে। যেতিয়া ৰাতি হ'ল তেতিয়া সি কফন চুৰি কৰাৰ মানসেৰে কবৰ খান্দিলে। তৎক্ষণাত মাৰহুমাহে কৈ উঠিল- سُبْحٰنَ اللهِ عَزَّوَجَلَّ এজন ক্ষমাপ্ৰাপ্ত ব্যক্তিয়ে ক্ষমাপ্ৰাপ্ত মহিলাৰ কফন চুৰি কৰিছে। শুনা আল্লাহ তাআ'লাই মোকো ক্ষমা কৰিছে আৰু মোৰ যানাঝাত অংশগ্ৰহণকাৰী সকলোকে ক্ষমা কৰি দিছে আৰু তুমিও তাত অংশগ্ৰহণ কৰিছিলা। এই কথা শুনি সি তৎক্ষণাত কবৰত মাটি দিলে আৰু সত্য অন্তৰে তৌবাহ কৰিলে। (শ্বাৰহুছ চুদূৰ, পৃষ্ঠা-২০১, দাৰুল কিতাবুল আ'ৰাবী, বেইৰুত)

**মুৰ্দাৰ হকে ঈছালে চাৱাব ঃ**

আমাৰ এটি আ'মল আছে যে মানুহৰ ইন্তেকাল হ'লে তেওঁৰ আত্মীয় স্বজনে চল্লিশ দিনৰ দিনা মাইয়্যাতৰ মাগ্‌ফিৰাতৰ উদ্দেশ্যে মীলাদ মাহ্‌ফিল, কুলখোৱানী, কুৰ্‌আন খোৱানী আদিৰ আয়োজন কৰে। এই কৰ্ম বিলাক হ'ল দ্বীনী কাম ইয়াত কোনো সন্দেহ নাই। প্ৰিয়নবী হুজুৰ পাক (স্বাঃ)ক পৰিপূৰ্ণ অনুসৰণকাৰী আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ যে জীৱিত সকলৰ আ'মাল মুৰ্দাৰ কাৰণে লাভজনক। যদি কোনো মুছলমানে নিজৰ মৃত ব্যক্তিৰ কাৰণে পবিত্ৰ কুৰ্‌আন শ্বৰীফ পঢ়ি কোনো বস্তু দান কৰি মুৰ্দাৰ ৰূহত বখশ্বাই দিয়ে আৰু ইয়াৰ উপকাৰিতা নিশ্চয় মৃত ব্যক্তিয়ে পায়। মৃতকৰ কাৰণে যি দুআ' কৰা হয় কুৰ্‌আনত তাৰ উল্লেখ আছে।

"হে আমাৰ প্ৰতিপালক তুমি আমাক ক্ষমা কৰি দিয়া আৰু আমাৰ সেইসকল ভাইকো ক্ষমা কৰি দিয়া যি সকলে আমাতকৈ আগতে ঈমান আনিছিল।" (ছুৰা হাচৰ, আয়াত-১০) এই পবিত্ৰ আয়াতটিত মুহাজিৰীন আৰু আনচাৰ সকলৰ পিছত ক্বিয়ামতলৈ আহিবলগীয়া মুছলমান সকল আৰু যিসকলে পূৰ্বতে ঈমান আনিছিল সেই সকলৰ কাৰণে মাগ্‌ফিৰাতৰ দুআ' কৰাৰ নিৰ্দেশ দিয়া হৈছে। (জালালাইন) উক্ত পবিত্ৰ আয়াত শ্বৰীফটিৰ দ্বাৰা বুজা গ'ল যে নিজৰ দুআ'ৰ লগত সেই সকলোকো চামিল কৰি ল'ব পাৰি যি সকল আগতে দুনীয়াৰ পৰা গুচি গৈছে। এই আয়াতৰ দ্বাৰা এইটো বুজা যায় যে জীৱিত ব্যক্তিৰ দুআ'ৰ দ্বাৰা মৃত ব্যক্তিবোৰৰ উপকাৰ হয়।

আমাৰ মাজত ইজনে সিজনৰ প্ৰতি থকা মৰম-চেনেহ মৃত্যুৰ পিছতো থাকে। জীৱিত অৱস্থাত যিদৰে এজন মুছলমানে আন এজনক দেখিলে ছালাম দিবলৈ হুজুৰ পাক (স্বাঃ)এ আদেশ কৰিছিল মৃত্যুৰ পিছতো কবৰত 'আচ্ছালামু আ'লাইকুম ইয়া আহ্‌লাল কুবুৰ' বুলি ছালাম দিবলৈ আদেশ কৰিছে।





হযৰত নুহ (আঃ)এ দুআ' কৰিছিল। কুৰ্‌আন পাকত তাৰ উল্লেখ আছে এইদৰে- "হে আল্লাহ তুমি মোক আৰু মোৰ মা-বাবাক ক্ষমা কৰি দিয়া আৰু সেই সকল ব্যক্তিকো যি সকল মোৰ ঘৰত দাখিল হৈছে ঈমানৰ সৈতে আৰু সকলো মু'মিন পুৰুষ আৰু সকলো মু'মিন মহিলাকো।" (ছুৰা নুহ, আয়াত-২৮) এই আয়াতটিৰ পৰা বুজা গ'ল যে হযৰত নুহ (আঃ)এ নিজৰ মা-বাবাৰ বাবে যি মুছলমান আছিল আৰু অন্যান্য মুছলমানৰ কাৰণে মাগ্‌ফিৰাতৰ দুআ' কৰিছিল। (জালালাইন)

সন্তানক এইটো হুকুম দিয়া হৈছে তোমালোকে নিজৰ মা-বাবাৰ কাৰণে এনেকুৱাকৈ দুআ' কৰা- "হে আল্লাহ তুমি তেওঁলোক দুয়োজনৰ ওপৰত ৰহম কৰা যেনেকুৱাকৈ সৰু কালত লালন-পালন কৰিছিল।" ইয়াৰ পৰা বুজা যায় যে নিজৰ মা-বাবাৰ কাৰণে সন্তানে দুআ' কৰিব লাগে আৰু মা-বাবা জীৱিত থকা অৱস্থাত আৰু ইন্তেকাল হৈ যোৱাৰ পিছত দুয়োটা অৱস্থাতে দুআ' প্ৰয়োজনীয়। সেইবাবে যানাঝা নামাজত এই দুআ' পঢ়া হয়- "হে আল্লাহ আমাৰ জীৱিত সকলক ক্ষমা কৰা আৰু আমাৰ মুৰ্দা সকলোকো।" এই দুআ' আৰু যানাঝা নামাজ কেৱল মাইয়্যাতৰ ওপৰত এক প্ৰকাৰৰ ঈছালে চাৱাব।

ঈছালে চাৱাব'ৰ বিষয়ে পবিত্ৰ হাদীচ শ্বৰীফতো উল্লেখ আছে- হুজুৰ ছৈয়্যেদে আ'লম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে কয়— "মুৰ্দা বিলাকে কবৰত পানীত ডুবি থকা মানুহৰ দৰে সহায় বিচাৰি থাকে আৰু নিজৰ মা-বাবা, ভাই-ভনী, ল'ৰা-ছোৱালী আৰু আহ্‌লে পৰিয়ালৰ দুআ'ৰ কাৰণে বাট চাই থাকে। যেতিয়া সেই সকলৰ দুআ' কবৰবাসীৰ ওচৰলৈ যায় তেতিয়া কবৰবাসীসকলে তাক দুনীয়া আৰু দুনীয়াত যিমান বস্তু আছে সকলোতকৈ বেছি ভাল পায়। নিশ্চয় আল্লাহ তাআ'লাই কবৰবাসীৰ ওপৰত জীয়াই থকা সকলৰ দুআ' পাহাৰৰ দৰে পৌছাই দিয়ে আৰু নিশ্চয় মুৰ্দা বিলাকৰ বাবে জিন্দা সকলৰ হাদিয়া বা পুৰস্কাৰ মুৰ্দাৰ মাগ্‌ফিৰাত বিচাৰে।" (মিশ্বকাত শ্বৰীফ, পৃষ্ঠা- ২০৬) হযৰত আবু হুৰাইৰাহ (ৰাঃ)এ বৰ্ণনা কৰিছে হুজুৰ পাক (স্বাঃ)এ ফৰ্মায়, "যেতিয়া মানুহৰ মৃত্যু হয় তেতিয়া মৃত ব্যক্তিৰ সকলো পূণ্য কামৰ দৰ্জা বন্ধ হৈ যায়। কিন্তু তিনিটা পূণ্য কাম বন্ধ নহয়। প্ৰথম-নফল চদ্‌কা, দ্বিতীয়- শিক্ষা, যিটো শিক্ষাৰ পৰা মানুহে ভাল ৰাস্তা অনুসৰণ কৰে। তৃতীয়- নেক সন্তান যিয়ে মৃতকৰ বাবে দুআ' কৰে।" (জামিয়ে স্বগিৰ, ১ম খণ্ড, পৃষ্ঠা নং ২৯)

হুজুৰ পাক (স্বাঃ)এ ফৰ্মায় "মোৰ উম্মতসকল গুণাহৰ সৈতে কবৰত ৰখা হ'ব আৰু যেতিয়া কবৰৰ পৰা উঠোৱা হ'ব বে গুণাহ উঠোৱা হ'ব, মুছলমান সকলৰ ইস্তেগ্‌ফাৰৰ বাবে সেইসকলক গুণাহৰ পৰা পাক কৰি দিয়া হ'ব।" (জামিয়ে স্বগিৰ

pdf By Syed Mostafa Sakib



১ম খণ্ড, পৃষ্ঠা নং ৪৩) হুজুৰ পাক (স্বাঃ)এ ফৰ্মাইছে "চদ্‌কাই কবৰৰ পৰা গৰম নাইকিয়া কৰি দিয়ে।" (জামিয়ে স্বগিৰ ১ম খণ্ড, পৃষ্ঠা নং ৬৭) অৰ্থাৎ- কোনো মৃত ব্যক্তিৰ ৰূহৰ শান্তিৰ কাৰণে যদি দান-খাইৰাত কৰি দিয়া হয়। সেই দানৰ পৰিৱৰ্তে আল্লাহ ৰাব্বুল আ'লামিনে সেইজন ব্যক্তিক কবৰৰ ভয়ংকৰ গৰমৰ পৰা ৰেহাই দিয়ে আৰু কবৰৰ আজাবৰ পৰা মুক্তি দিয়ে।

ছায়্যিদুনা হযৰত ছাআ'দ বিন উবাদা (ৰাঃ)ৰ মা যেতিয়া ইন্তেকাল হয় তেতিয়া হযৰত ছাআ'দ (ৰাঃ) ঘৰত নাছিল। হযৰত ছাআ'দ (ৰাঃ)এ হুজুৰ পাক (স্বাঃ)ৰ ওচৰত গৈ ক'লে— "ইয়া ৰাছুলাল্লাহ (স্বাঃ)! যদি মই মোৰ মাৰ কাৰণে কোনো বস্তু চদ্‌কা কৰি দিওঁ তেনেহ'লে মোৰ মাৰ কিবা উপকাৰ হ'বনে?" হুজুৰ পাক (স্বাঃ)এ ক'লে- "হ'ব।" তেতিয়া হযৰত ছাআ'দ (ৰাঃ) এ ক'লে- "ইয়া ৰাছুলাল্লাহ (স্বাঃ)মই আপোনাক সাক্ষী কৰিলোঁ মোৰ মাৰ নামত চদ্‌কা কৰিম।" (তিৰমিজী শ্বৰীফ, পৃষ্ঠা নং- ৮৫, চৰহুচ চুদুৰ, পৃষ্ঠা নং- ১২৮)

হুজুৰ পাক(স্বাঃ)এ জনাইছে— " নিশ্চয় আল্লাহ তাআ'লাই নেক বান্দা সকলৰ মৰতোবা যান্নাতত বুলন্দ (উচ্চস্তৰ) কৰিব তেতিয়া যান্নাতী সকলে আল্লাহৰ ওচৰত আৰজ কৰিব, "হে আল্লাহ এনে মৰতোবা মই কেনেকৈ পালো?" তেতিয়া আল্লাহ পাকে ক'ব, "তোমাৰ সন্তানে তোমাৰ কাৰণে মাফী বিচাৰিছে।" (মিশ্বকাত শ্বৰীফ, পৃষ্ঠা নং- ২০৬) হুজুৰ পাক(স্বাঃ)ৰ নিয়ম আছিল যেতিয়া কোনো মাইয়্যাত দফন কৰিছিল তেতিয়া তেওঁ কবৰৰ ওচৰত ৰৈ গৈছিল আৰু দুআ' কৰিছিল। (তাফ্‌ছীৰে কবীৰ, ৪ৰ্থ খণ্ড, পৃষ্ঠা- ৭১০)

হুজুৰ পাক (স্বাঃ)এ জনাইছে—"যিয়ে কবৰ স্থানত গৈ আলসামদু শ্বৰীফ, দৰূদ শ্বৰীফ আৰু ছুৰায়ে আলহাকুমুত পঢ়িলে আৰু ক'লে হে আল্লাহ মই যি তোমাৰ কালাম পঢ়িলো তাৰ চাৱাব মুছলমান মৰদ- আওৰত সকলৰ ওপৰত পৌছাই দিয়ক তেতিয়া সেই সকল ব্যক্তি আল্লাহ পাকৰ ওচৰত সাক্ষী হৈ যাব।" (মিশ্বকাত শ্বৰীফ,২য় খণ্ড, পৃষ্ঠা ৩৮২)

হুজুৰ ৰসুমতে আ'লম (স্বাঃ)এ জনাইছে— "যদি কোনো ব্যক্তিয়ে কবৰস্থানত গৈ ছুৰা ইয়াছীন শ্বৰীফ পঢ়ে তেনেহ'লে কবৰবাসীৰ কবৰৰ আযাব কম কৰি দিয়া হয় আৰু যিমান মুৰ্দা কবৰস্থানত থাকে সেই হিচাপে পঢ়োতাজনক নেকী দিয়ে।" (মিশ্বকাত শ্বৰীফ, ২য় খণ্ড, পৃষ্ঠা- ৩৮২)

হযৰত মোল্লা আ'লী ক্বাৰী হানাফী (ৰহঃ)ৰ ফতোৱাত আছে যে হুজুৰ পাক (স্বাঃ)ৰ ল'ৰা হযৰত ইব্ৰাহীম (ৰাঃ)ৰ ইন্তেকালৰ তৃতীয় দিনা হযৰত আবুজাৰ





(ৰাঃ)এ শুকান খেজুৰ, গাখীৰ আৰু ৰুটি লৈ আহি হুজুৰ পাক (স্বাঃ)ৰ ওচৰত ৰাখি দিলে। তেতিয়া হুজুৰ পাক (স্বাঃ)এ সেই খানাখিনি সন্মুখত লৈ ছুৰা ফাতিসাহ, ছুৰা ইখলাছ তিনিবাৰ পঢ়িলে আৰু হাত মুবাৰক উঠাই আল্লাহৰ ওচৰত দুআ' কৰিলে আৰু হাত মুবাৰক মুখ মণ্ডলত ফিৰাই দিলে আৰু হযৰত আবুজাৰ (ৰাঃ)ক ক'লে, "এই খানাখিনি মানুহক ভগাই দিয়া" আৰু ক'লে, "এই খানাৰ চাৱাব মোৰ ল'ৰা ইব্ৰাহীমৰ ৰূহৰ ওপৰত বক্‌চাই দিয়া।" (হিদায়াতুল হাৰমাইন, ১৩ নং অধ্যায়, পৃষ্ঠা- ৬৭, ৬৮) উল্লেখিত হিদায়াতুল হাৰমাইন কিতাপখনত মক্কা শ্বৰীফ আৰু মদীনা শ্বৰীফৰ ২৭ জন উ'লামায়ে কিৰামৰ চহী আৰু মোহৰ লগোৱা আছে। এই হাদীচৰ পৰা প্ৰমাণ হ'ল যে তিনি দিনৰ দিনা তিজা কৰা জায়েজ। তিনি দিনৰ দিনা খানা পিনা আগত ৰাখি দুআ'-দৰূদ কৰি ঈছালে চাৱাব মুৰ্দাৰ ৰূহত বকচাই দিয়াতো আৰু খানা পিনা মানুহক ভগাই দিয়াটো আল্লাহৰ নবীৰ ছুন্নত। ইয়াক বিদ্‌আ'ত বুলি কোৱাটো মূৰ্খামী আৰু অজ্ঞতাৰ পৰিচয়।

হুজুৰ পাক (স্বাঃ)এ জনাইছে- "যিয়ে নিজৰ মা-বাবাৰ কবৰত গৈ যিয়াৰত আৰু ছুৰা ইয়াছীন পঢ়িলে সেইজনৰ মা-বাবাৰ গুণাহ মাফ কৰি দিয়ে।" (উমদাতুল ক্বাৰী শ্বৰহে বুখাৰী, ১ম খণ্ড, পৃষ্ঠা- ৮৭৫)

"যদি কোনো জীৱিত ব্যক্তিয়ে মৃতকৰ কাৰণে দুআ' কৰে আৰু মৃতকৰ ফালৰ পৰা চদ্‌কা কৰে সেইটোৰ পৰা মৃত ব্যক্তিৰ উপকাৰ হয়।" (শ্বৰহে আকাঈদে নছ্‌ফী)

ছায়্যিদুনা হযৰত ছাআ'দ (ৰাঃ)এ হুজুৰ পাক (স্বাঃ)ৰ ওচৰত আৰজ কৰিলে, "ইয়া ৰাছুলাল্লাহ (স্বাঃ)! মোৰ মা ইন্তেকাল হৈ গৈছে। গতিকে কোনটো চদ্‌কা সকলোতকৈ ভাল?" হুজুৰ পাক(স্বাঃ)এ ক'লে- 'পানী।' তেতিয়া হযৰত ছাআ'দ (ৰাঃ)এ কুঁৱা খান্দি দিলে আৰু ক'লে, "এই কুঁৱাটো মোৰ মাৰ কাৰণে।" (মিশ্বকাত শ্বৰীফ, পৃষ্ঠা- ১৬৯)

ছায়্যিদুনা উম্মুল মু'মিনীন হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ পৰা বৰ্ণনা আছে এদিনাখন এজন মানুহ হুজুৰ পাক (স্বাঃ)ৰ ওচৰত আহি ক'লে - "ইয়া ৰাছুলাল্লাহ (স্বাঃ)! নিশ্চয় মোৰ মা ইন্তেকাল হৈছে আৰু মই ভাবো যদি মোৰ মাই মোক চদ্‌কা কৰাৰ কথা ক'লেহেঁতেন তেনেহ'লে মই চদ্‌কা কৰিলোহেঁতেন। ইয়া ৰাছুলাল্লাহ (স্বাঃ)! যদি মই মোৰ মাৰ কাৰণে চদ্‌কা কৰোঁ তেনেহ'লে মোৰ মাই চাৱাব পাবনে?" হুজুৰ পাক(স্বাঃ)এ ক'লে, "নিশ্চয় পাব।" (বুখাৰী শ্বৰীফ, পৃষ্ঠা- ১৫৪, মিশ্বকাত শ্বৰীফ, পৃষ্ঠা- ১৭২, মুছলিম শ্বৰীফ, পৃষ্ঠা- ২২৪)

ত্বিববানী আৰু দাৰে কুতনিত আছে- হুজুৰ পাক (স্বাঃ)এ ফৰ্মাইছে- "যি ব্যক্তিয়ে ১১(এঘাৰ) বাৰ ছুৰা ইখলাছ পাঠ কৰি তাৰ চাৱাব মৃত ব্যক্তি সকলৰ প্ৰতি বখশ্বাই দিয়ে তেনে অৱস্থাত সেই ব্যক্তিজনে মৃত ব্যক্তি সকলৰ সমতুল্য চাৱাব পাব।"

প্ৰত্যেক মুছলমানৰ কাৰণে এইটো জায়েজ যে তেওঁলোকৰ নেক আ'মল বিলাকৰ যেনেঃ নামাজ, ৰোজা, চদ্‌কা, খাইৰাত অথবা ইয়াৰ বাহিৰেও অন্য মহৎ কামবোৰৰ চাৱাব আনকো দান কৰিব পাৰে। এইটোৱে আহ্‌লে ছুন্নত ওৱাল জামাআ'তৰ ত্বৰীক্বাহ। (হিদায়া) ঈছালে চাৱাবৰ ক্ষেত্ৰত জীৱিত ব্যক্তিয়ে কুৰ্‌আনৰ পৰা কিছু ছুৰা আয়াত যদি মৃত ব্যক্তিৰ কাৰণে বখশ্বাই দিয়ে তাৰ চাৱাব মৃত ব্যক্তিয়ে পায় আৰু তাৰ পৰা উপকাৰ হয়। ইয়াৰ উপৰিও পবিত্ৰ কলিমা শ্বৰীফৰ খতম কৰাই ইয়াৰ চাৱাব মুৰ্দাৰ ৰূহত বখশ্বাই দিয়া হয়। জীৱিত সকলে পঢ়া খতমৰ চাৱাব যি মুৰ্দাই পায় সেই বিষয়ে দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক মৌঃ কাছিম নানথৱী চাহেবে তেওঁৰ গ্ৰন্থ 'তাহ্‌জিৰুন নাছ'ৰ ২৪পৃঃত উল্লেখ কৰিছে- "হযৰত জুনাইদ বাগ্‌দাদী (ৰহঃ)ৰ কোনো এজন মুৰীদৰ ৰং হঠাৎ সলনি হৈ গৈছিল। তেতিয়া তেখেত (ৰহঃ)এ সুধিছিল- "কি কাৰণ?" তেতিয়া সেই মুৰীদজনে কৈছিল-"মই মোৰ মাক দোজোখত দেখিছোঁ।" হযৰত জুনাইদ (ৰহঃ)ৰ এক লাখ পঁচিছ হাজাৰ (১,২৫,০০০) কলিমা শ্বৰীফ আগতে পঢ়া আছিল। এইটো বুজি উক্ত কলিমাৰ চাৱাব মুৰীদজনৰ মাৰ ৰূহৰ মাগ্‌ফিৰাতৰ বাবে বক্‌চাই দিলে। পিছত সেই মুৰীদজন অতি খুছী হোৱা পৰিলক্ষিত হ'ল। তাৰ কাৰণ সোধাত উক্ত মুৰীদজনে ক'লে- "এতিয়া মোৰ মাক যান্নাতত দেখিছো।"

**ফাতিহা খোৱানী ঃ**

খাদ্য সম্মুখত ৰাখি পবিত্ৰ কুৰ্‌আন শ্বৰীফ, দৰূদ শ্বৰীফ আদি পঢ়াতোকে ফাতিহা খোৱানী বুলি কোৱা হয়। এইটো ইছলামী ত্বৰীক্বা। প্ৰত্যেক মুছলমানৰ কাৰণে এনেকুৱা কৰ্ম কৰাতো লাভদায়ক। ইয়াক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিয়নো খাদ্য খোৱাৰ আগত বিছ্‌মিল্লাহ শ্বৰীফ পঢ়িব লাগে। বিছ্‌মিল্লাহ কুৰ্‌আন শ্বৰীফৰ ছুৰা নমলৰ এটি আয়াত। ফাতিহা খোৱানীতো বিছ্‌মিল্লাহৰ বাহিৰে অন্য আৰু আয়াত পঢ়া হয়। যদি কোনোবাই কয় যে খাদ্য সম্মুখত ৰাখি কুৰ্‌আন পঢ়া উচিত নহয়। তেওঁলোকে অকণমান চিন্তা কৰি চোৱা উচিত যে খাদ্য খোৱাৰ আগত বিছ্‌মিল্লাহ শ্বৰীফ পঢ়া হয়। সেয়েহে তেওঁ যদি ইছলামী ত্বৰীক্বাত খাদ্য গ্ৰহণ কৰে তেনেহ'লে নিশ্চয় বিছ্‌মিল্লাহ শ্বৰীফ পঢ়িব লাগিব আৰু যি খাদ্যত বিছ্‌মিল্লাহ শ্বৰীফ



pdf By Syed Mostafa Sakib




পঢ়া হয় সেই খাদ্যত শ্বয়তান শ্বৰীক হ'ব নোৱাৰে। কুৰ্‌আন কৰীমত উল্লেখ আছে- "তোমালোকে সেইবোৰৰ পৰা খোৱা য'ত আল্লাহৰ নাম লোৱা হয়।" ইয়াৰ পৰা বুজা গ'ল যি খাদ্যত কুৰ্‌আন মযীদৰ আয়াত, দৰূদ শ্বৰীফ পঢ়া হয় সেই খাদ্য গ্ৰহণ কৰাটো নাজায়েজ আৰু হাৰাম কেতিয়াও হ'ব নোৱাৰে। তলত এই সম্পৰ্কত হাদীচ শ্বৰীফ বৰ্ণনা কৰা হ'ল-

হযৰত আনাছ (ৰাঃ)এ কয় তেখেতৰ মাই খেজুৰ, ঘী আৰু পনিৰ মিলাই মালিদা বনাইছিল আৰু বাচনত ৰাখি হুজুৰ পাক (স্বাঃ)ৰ দৰবাৰত পঠালে। হুজুৰ পাক (স্বাঃ)এ উক্ত বস্তুবোৰ সম্মুখত ৰাখিবলৈ হুকুম দিছিল, হযৰত আনাছ (ৰাঃ)ক মানুহবোৰক মাতিবলৈ পঠাইছিল। যেতিয়া তেখেত ঘূৰি আহিছিল মানুহৰে ঘৰ ভৰি পৰিছিল। য'ত তিনিশ মান মানুহ আছিল। হযৰত আনাছ (ৰাঃ)এ দেখা কথা। হুজুৰ পাক (স্বাঃ)এ নিজৰ হস্ত মুবাৰক সেই মালিদা (খাদ্য)ত ৰাখিছিল আৰু আল্লাহৰ যি মঞ্জুৰ আছিল তাকে পঢ়ি দুআ' সমাধা কৰিলে। পিছত দহজনকৈ মানুহক মাতিবলৈ আৰম্ভ কৰিলে আৰু তাৰ পৰা খাইছিল এনেকৈ সকলো মানুহে খাইছিল। হযৰত আনাছ (ৰাঃ)এ কয় তাৰ পিছত হুজুৰ পাক (স্বাঃ)এ উক্ত মালিদা থকা বাচনখন উঠাবলৈ হুকুম দিলে। মই এইটো বুজা নাছিলো যে যেতিয়া মই বাচনখন ৰাখাৰ সময়ত বেছি খাদ্য আছিল নে এতিয়া বেছি আছে। অৰ্থাৎ- অকণমানো কম হোৱা নাছিল।" (মিশ্বকাত শ্বৰীফ)

হযৰত আবু হুৰাইৰাহ (ৰাঃ)এ কয় গজোৱায়ে তবুকত মুছলমান সকল ভোকত বিপদগ্ৰস্ত হৈছিল অৰ্থাৎ খাদ্য কম আছিল। মুছলমান সকল ভোকত আছিল তেতিয়া হযৰত উ'মৰ (ৰাঃ)এ হুজুৰ পাক (স্বাঃ)ক কৈছিল- "যিবোৰ খাদ্য মানুহবোৰৰ লগত এতিয়াও বাকী আছে সেইবোৰ একত্ৰিত কৰি আপুনি বৰকতৰ দুআ' কৰি দিয়ক।" তাৰ পিছত দস্তাৰখান বিচাই মানুহবোৰক হুকুম দিয়া হ'ল-"যাৰ লগত যি খাদ্য আছে লৈ আহা।" মানুহবোৰৰ লগত যি খাদ্য বাকী আছিল লৈ আহিল। কোনোবাই এক মুঠি চুহাৰা (শুকান খেজুৰ) আৰু কোনোবাই ৰুটিৰ টুকুৰা যাৰ লগত যি আছিল এনেকৈ দস্তাৰখানৰ ওপৰত একত্ৰিত কৰা হ'ল তাৰ পিছত হুজুৰ পাক (স্বাঃ)এ দুআ' কৰিলে আৰু ফৰ্মালে, "এতিয়া নিজৰ নিজৰ বৰ্তনত বিতৰণ কৰি লোৱা।" সেই খাদ্য সামগ্ৰীত ইমান বৰকত হ'ল যে সকলো মানুহে তৃপ্তি সহকাৰে গ্ৰহণ কৰিলে। (মুছলিম শ্বৰীফ)

উক্ত হাদীচ শ্বৰীফৰ পৰা বুজা গ'ল যে খাদ্য সম্মুখত ৰাখি বৰকতৰ কাৰণে দুআ' কৰাতো ছুন্নত ত্বৰীক্বা। ফাতিসাহ খোৱানীত খাদ্য সম্মুখত ৰাখি হাত উঠাই

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "নামাজৰ দ্বাৰা শয়তানৰ মুখ ক'লা হয়।" }

দুআ' কৰা হয় যিহেতু হাদীচত প্ৰমাণ আছে- হুজুৰ পাক (স্বাঃ)এ যেতিয়া হাত উঠাইছিল সেই পৰ্যন্ত হাত মুবাৰক তলৰ ফালে কৰা নাছিল যি পৰ্যন্ত নিজৰ হাত মুবাৰক মুখ মণ্ডলত মচি দিয়া নাছিল। (তিৰ্মিজী শ্বৰীফ)

হযৰত আবু হুৰাইৰাহ (ৰাঃ)এ বৰ্ণনা কৰিছে- মই হুজুৰ পাক (স্বাঃ)ৰ ওচৰত অলপ চুহাৰা (শুকান খেজুৰ) আনিছিলো আৰু মই আৰজ কৰিছিলো- 'ইয়া ৰাছুলাল্লাহ! (স্বাঃ) এইবোৰ চুহাৰা (শুকান খেজুৰ)ৰ কাৰণে বৰকতৰ দুআ' কৰি দিয়ক।' হুজুৰ পাক (স্বাঃ)এ দুআ' কৰিছিল আৰু মোক কৈছিল— "এইবোৰ লৈ যোৱা আৰু খাদ্য ৰখা মোনাত ৰাখি লোৱা যেতিয়া তোমাৰ ইচ্ছা যাব হাত ভৰাই ওলাই লৈ খাবা কিন্তু মোনাখন জোকাৰি নিদিবা।" হযৰত আবু হুৰাইৰাহ (ৰাঃ)এ কয়, "সেইবোৰ চুহাৰাত ইমান বৰকত দিছিল মই সদায় আল্লাহৰ ৰাস্তাত দান কৰিছিলো, নিজেও খাইছিলো আৰু আনকো খুৱাইছিলো আৰু চুহাৰাৰ মোনাখন মই কঁকালত ওলোমাই লৈছিলো। হযৰত ওছমান গণী (ৰাঃ)ৰ শ্বাহাদতৰ দিনাখন মোৰ কঁকালৰ পৰা ক'ৰবাত পৰিছিল আৰু হেৰাই গৈছিল।"

বিৰোধী সকলৰ মান্যবৰ হযৰত শ্বাহ ৱালিউল্লাহ মুহাদ্দিচ দেহ্‌লৱী (ৰহঃ)ৰ ক্ষেত্ৰতো তিজা অনুষ্ঠিত হৈছে। ইয়াৰ বৰ্ণনা হযৰত শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহলৱী (ৰহঃ)ৰ 'মলফুযাতে আযিযীয়া'ৰ ৮০ পৃঃত এইদৰে উল্লেখ কৰিছে- "অৰ্থাৎ- (ইন্তেকালৰ পিছত) তৃতীয় দিনাখন শ্বাহ চাহেবৰ ঘৰত অসংখ্য লোক সমবেত হৈছিল। কুৰ্‌আন শ্বৰীফ ৮১ বাৰতকৈ বেছি খতম হৈছিল আৰু কলিমা তৈয়্যব বহুবাৰ পাঠ কৰা হৈছিল যিটো হিচাপত নাহে।"

হযৰত ইমাম তিৰ্মিজী আৰু হযৰত ইমাম আবু দাউদ (ৰহঃ)এ হযৰত বুৰাইদা (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে- এজনী মহিলাই নবী কৰীম (স্বাঃ)ৰ দৰবাৰত উপস্থিত হৈ আৰজ কৰিলে, "হে আল্লাহৰ ৰছূল (স্বাঃ)! মোৰ মাৰ মৃত্যু হৈ গৈছে আৰু তেখেতে হজ্ব কৰা নাই। মই তেখেতৰ তৰফৰ পৰা হজ্ব কৰিব পাৰিমনে?" তেখেত (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মালে, "হয় তেওঁৰ বাবে হজ্ব কৰা।"

'তফ্‌ছীৰে ৰুহুল বয়ান' ছুৰা আন্‌আ'মৰ পাৰা-৭ৰ আয়াতৰ ব্যাখ্যাতআছে- 'হযৰত ই'ৰাজৰ পৰা বৰ্ণিত আছে- "যি ব্যক্তিয়ে কুৰ্‌আন খতম কৰিব পিছত দুআ' কৰিব তেতিয়া তেওঁৰ দুআ'ত ৪০০০ ফৰিশ্বতাই আ-মীন ক'ব। তেখেতৰ বাবে দুআ' আৰু ক্ষমা প্ৰাৰ্থনা কৰি থাকিব সন্ধিয়া বা ৰাতিপুৱালৈ। ইয়াৰ পৰা বুজা গ'ল যে কুৰ্‌আন খতমৰ সময়ত দুআ' কবুল হয়। গতিকে এই সময়ত দুআ' কৰা উত্তম। ইমাম নুদীয়ে 'কিতাবুল আজ্‌কাৰ'ৰ 'তিলাৱাতুল কুৰ্‌আন' অধ্যায়ত ফৰ্মাইছে- "হযৰত



pdf By Syed Mostafa Sakib



{ মহিলা সকলে মাজাৰ বা সৰ্বসাধাৰণৰ কবৰ স্থানত প্ৰৱেশ কৰাটো হাৰাম (নিষেধ), মাজাৰত ছিজ্‌দা কৰা হাৰাম (ফত্‌ৱা ৰিজ্‌ৱীয়া, ৪/১৬২) }

আনাছ বিন মালিক (ৰাঃ)এ কুৰ্‌আন খতমৰ সময়ত নিজৰ ঘৰৰ সমূহ পৰিয়ালক একত্ৰিত কৰি দুআ' কৰিছিল। হাকিম ইব্‌নে উতবাই কৈছিল- এদিনাখন মোজাহিদ উবাইদা ইব্‌নে আবী লুবাবাই মোক মাতিছিল আৰু কৈছিল-"মই তোমালোকক এই কাৰণেই মাতিছো যে আজি কুৰ্‌আন পাক খতম কৰা হ'ব। কুৰ্‌আন খতমৰ সময়ত দুআ' কবুল হয়।" তেওঁ আৰু কয়- "বুজুৰ্গানে দ্বীনসকলে কুৰ্‌আন খতমৰ সময়ত মানুহক একত্ৰিত কৰিছিল কাৰণ এই সময়ত ৰহমত অৱতীৰ্ণ হয়।"

বৰ্তমান আমাৰ মাজত প্ৰচলিত ঈছালে চাৱাব আৰু ফাতিহা খোৱানীৰ ত্বৰীকা নিঃসন্দেহে জায়েজ মুস্তাহাচান (অতি উত্তম) আৰু ইয়াৰ চাৱাব মৃতক সকলে লাভ কৰে। হাদীচ শ্বৰীফত মৃতকৰ হকে হজ্ব, কুৰবাণী, পানী, কুঁৱা, চদ্‌কা, কুৰ্‌আন শ্বৰীফ তিলাৱাত ইত্যাদি কৰা চাবিত আছে। ঈছালে চাৱাব মুৰ্দাসকলৰ কাৰণে নাজাতৰ ৱাস্বীলা আৰু জীৱিত সকলৰ কাৰণে ৰহমত বৰকত অৱতীৰ্ণ হোৱাৰ জৰীআ'। অৱশ্যে বুজুৰ্গানে দ্বীনৰ আৰৱাহ পাক ইয়াৰ পৰা মুক্ত আৰু নিচিন্ত। কাৰণ আল্লাহ পাকে তেওঁলোকৰ শ্বানত ফৰ্মাইছে-"সাৱধান! নিশ্চয় আল্লাহৰ ৱলী সকলৰ কাৰণে কোনো ভয় আৰু চিন্তাৰ কাৰণ নাই।" ■ ■ ■

সহায়ক গ্ৰন্থঃ

১। ইমাম আহমদ ৰেজাখাঁ বেৰেলৱী (ৰহঃ)ৰ 'তাফ্‌ছীৰে কানজুল ঈমান শ্বৰীফ', 'ফাতাৱা ৰিজৱীয়্যাহ', 'ইজানুল আজাৰ ফি আজানিল কবৰ', 'আল্‌ ৱাজীফাতুল কাৰীমা', 'ফাতাৱা আফ্ৰীকা'।

২। মুফ্‌তী চৌকত আ'লী ফাহ্‌মীৰ 'ফালাহ্‌ দ্বীন দুনীয়া', 'উৰ্দু হাদীচ।'

৩। মুফ্‌তী জালাউদ্দিন আহমদ আমজাদী (ৰহঃ)ৰ 'ফত্‌ৱা ফাইজুৰ ৰছূল', 'আনোৱাৰুল হাদীচ'।

৪। মুফ্‌তী আহমদ ইয়াৰখাঁ নাঈমী (ৰহঃ)ৰ 'যা-আল হাক্ক', 'শ্বানে হবিবুৰ ৰহমান।'

৫। মৌঃ মুহাম্মদ মকছুদৰ 'আহম ফিক্বহী মাছাইল (১ম খণ্ড)।

৬। চদৰুছ শ্বৰীআ'হ আ'ল্লামা আমজাদ আ'লী আ'জমীৰ 'বাহাৰে শ্বৰীঅ'ত'।

কৃতজ্ঞতা স্বীকাৰ ঃ ছৈয়্যাদ আ'ল্লামা শ্বাহিদ আ'লী মিঞাঁ চাহেব (ৰামপুৰ, ইউ.পি), মুফ্‌তী গোলাম ছামদানী ৰিজৱী চাহেব (মুৰ্শ্বিদাবাদ, পশ্চিমবংগ), মৌঃ আলহাজ ইক্ৰামুল মজিদ চাহেব (মুছলিমঘোপা, দৰং), মৌঃ আশ্বিক আ'লী ৰিজৱী (বৰদৌলগুৰি, দৰং), মৌঃ ক্বাৰী আব্দুল হক ৰিজৱী (মঙলদৈ, দৰং)।

ফৰ্মানে মুস্তাফা (স্বাঃ)- “ইলমে দ্বীন চৰ্চাৰ এটি মজলিছ ৬০ বছৰৰ নফল ইবাদতকৈ উত্তম।”

## অসমীয়া স্বৰ সহ আৰবী বৰ্ণ সমূহ

| | | | | | |
|---|---|---|---|---|---|
| ا | — অ | ط | — ট, ত্ব, | ل | — ল |
| ب | — ব | ظ | — জ্ব | م | — ম |
| ت | — ত | ع | — অ’ | ن | — ন, ণ |
| ث | — চ | غ | — গ্ব | و | — ৱ |
| ج | — য | ف | — ফ | ه | — হ |
| ح | — স | ق | — ক্ব | ء | — অ’ |
| خ | — খ | ك | — ক | ي | — য় |
| د | — দ | | | | |
| ذ | — জ | | | | |
| ر | — ৰ | | | | |
| ز | — ঝ | | | | |
| س | — ছ | | | | |
| ش | — শ্ব | | | | |
| ص | — স্ব | | | | |
| ض | — দ্ব | | | | |

কিছুমান আৰবী শব্দৰ অসমীয়া আৰু বঙালী তুলনামূলক ৰূপ ঃ

| বঙালী | অসমীয়া |
|---|---|
| আল্‌হাম্‌দু | আল্‌সাম্‌দু |
| ৰাহ্‌মানু | ৰাস্‌মানু |
| ৰাহিম | ৰাসীম |
| মোহাম্মাদ | মুসাম্মাদ |
| কোৰ্‌আন | কুৰ্‌আন |
| দোৱা | দুআ’ |
| হৰ্‌কত্ | সৰ্‌কত্ |





ফৰ্মানে মুস্তাফা (স্বাঃ)- “জিক্‌ৰৰ মজলিছ ফৰিশ্বতাসকলৰ মজলিছ।”

## ঃ অন্যান্য (وِرْد) শিতান ঃ

**আয়াতুল কুৰ্ছীৰ ফজীলত ঃ**

১। আয়াতুল কুৰ্ছী কুৰআন শ্বৰীফৰ আয়াত সমূহৰ চৰ্দাৰ। (মুছতাদ্‌ৰাক ঃ খণ্ড - ২ ঃ পৃষ্ঠা- ২৬০), ২। যি ব্যক্তিয়ে শুৱৰ সময়ত আয়াতুল কুৰ্ছী পঢ়িব, আল্লাহ পাকে তেখেতৰ ঘৰ আৰু তেখেতৰ ওচৰ চুবুৰীয়া সকলক হিফাজত কৰিব। (মিৰ্‌কাতুল মাফাতিহ ঃ খণ্ড -২ ঃ পৃষ্ঠা- ৬৮৩) , ৩। যি ঘৰত আয়াতুল কুৰ্ছী পঢ়া হয় সেই ঘৰত শ্বয়তান বা অন্য অপকাৰী বস্তু ওচৰলৈ নাহে। (তিৰমিজীঃ খণ্ড- ২ ঃ পৃষ্ঠা -১১১), ৪। যি ব্যক্তিয়ে প্ৰত্যেক ফৰজ নামাজৰ পিছত আয়াতুল কুৰ্ছী পঢ়ে তেখেতক দুই ৰাক্ত নামাজৰ মাজৰ সময়খিনি আল্লাহপাকে হিফাজত কৰিব। (কানজুল উম্মাল ১ঃ ১৪১), ৫। যি খাদ্য আৰু আঞ্জাৰ ওপৰত আয়াতুল কুৰ্ছী পঢ়া হয় আল্লাহপাকে তাৰ ওপৰত বৰ্কত দিয়ে (দুৰ্ৰে মনছুৰ ১ ঃ ৩২০), ৬। যুমুআ’হৰ (শুক্ৰবাৰ) দিনত আয়াতুল কুৰ্ছী তিলৱাত কৰিলে পৰৱৰ্তী (পিছৰ) যুমুআ’হলৈ তাৰ গুণাহৰ কাফ্‌ফাৰাহ আদায় হয়। (দুৰ্ৰে মনছুৰ-৪/২০৬)

**ছুৰা কাহাফৰ ফজীলত**

১। হযৰত আবু দাৰদা (ৰাঃ)ৰ পৰা বৰ্ণিত- ৰছুলুল্লাহ (স্বাঃ)এ জনাইছে- “যি ব্যক্তিয়ে ছুৰা কাহাফৰ প্ৰথম ১০ আয়াত মুখস্থ কৰিলে, তেখেত দায্যালৰ ফিত্‌না (প্ৰৰোচনা আৰু উৎপাত)ৰ পৰা বাচি থাকিব। (মুছলিম- ১/২৭১), ২। হযৰত ইব্‌নে আ’ব্বাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- হুজুৰ পাক (স্বাঃ)এ কৈছে উক্ত ছুৰা তিলাৱাত কাৰীক জাহান্নামৰ পৰা ৰক্ষা কৰিব। (কানজুল উম্মাল- ১/১৪৩)

**ছুৰা ইয়াছীনৰ ফজীলতঃ**

১। হযৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত, ৰছুলুল্লাহ (স্বাঃ)এ জনাইছে- “প্ৰত্যেক বস্তুৰ এটা দিল (কেন্দ্ৰীয় স্থান) আছে। কুৰ্‌আন শ্বৰীফৰ দিল হ’ল ছুৰা ইয়াছীন। এই কাৰণে এই ছুৰা পাঠ কৰোঁতাক ১০ বাৰ কুৰ্‌আন পাঠকাৰীৰ চাৱাব প্ৰদান কৰা হয়।” (তিৰ্‌মিজী, ২/১১২), ৰছুলে পাক (স্বাঃ)এ কয়- “দিনৰ আৰম্ভণীতে ছুৰা ইয়াছীন পঢ়িলে মানুহৰ প্ৰয়োজন পূৰ হয়।” (মিশ্বকাত্- ১৮৯ পৃষ্ঠা), ২। হুজুৰ পাক (স্বাঃ)এ জনাইছে- “কুৰ্‌আন শ্বৰীফৰ দিল (হ’ল) ছুৰা ইয়াছীন। আল্লাহ পাকৰ সন্তুষ্টি (খুছী) আৰু আখিৰাতৰ মঙ্গলৰ কাৰণে যি ব্যক্তিয়ে ছুৰা ইয়াছীন শ্বৰীফ পঢ়িব তেওঁক ক্ষমা দান কৰা হ’ব। তোমালোকে নিজৰ নিজৰ মুৰ্দাসকলৰ ওপৰত ইয়াক পঢ়িবা।” (তাৰ্‌গ্বীব- ২/৬৩৬)

৩। হযৰত আ’লী (ৰাঃ)ৰ পৰা বৰ্ণিত হুজুৰ পাক (স্বাঃ)এ জনায়- ছুৰা

pdf By Syed Mostafa Sakib



ইয়াছীন পঢ়া। কিয়নো তাত দহটা বৰ্কত আছে- (ক) ভোকাতুৰ অৱস্থাত পঢ়িলে পেট ভৰে, (খ) তৃষ্ণাতুৰ অৱস্থাত পঢ়িলে তৃষ্ণা পুৰ হয়/পলায়, (গ) কাপোৰহীন নগ্ন ব্যক্তিয়ে পঢ়িলে আল্লাহ পাকে কাপোৰ দান কৰিব, (ঘ) সম্বল হীনতাৰ বাবে অবিবাহিত ব্যক্তিয়ে পঢ়িলে বিবাহৰ ব্যৱস্থা হৈ যায়, (ঙ) আতংকিত ব্যক্তিয়ে পঢ়িলে আতংক দূৰ হয়, (চ) কয়দী (কাৰাগাৰত পতিত) ব্যক্তিয়ে পঢ়িলে তাৰ পৰা মুক্ত হয়, (ছ) মুচাফিৰে পঢ়িলে কষ্ট লাঘৱ হ'ব, (জ) ধৰুৱা (ঋণী) ব্যক্তিয়ে পঢ়িলে ঋণ আদায়ৰ ব্যৱস্থা হয়, (ঝ) কাৰোবাৰ বস্তু হেৰালে তেওঁ পঢ়িলে হেৰোৱা বস্তু ঘূৰাই পোৱা যায়, (ঞ) মৃত্যুৰ সময়ত হোৱা কষ্টৰ পৰা ৰেহাই পোৱা যায়।"

## পবিত্ৰ দৰূদ শ্বৰীফৰ আ'মল ঃ

পবিত্ৰ কুৰ্আন ঃ ছুৰা আহ্যাব, ৰুকু- ৭, পাৰা- ২২ত উল্লেখ আছে—

"নিশ্চয় আল্লাহ যাল্লা যালালাহু আৰু তেখেতৰ ফৰিশ্বতাসকলে দৰূদ পাঠ কৰে সেইজনা অদৃশ্যৰ সংবাদদাতা (النَّبِيِّ)ৰ ওপৰত, হে ঈমানদাৰ (বিশ্বাসী) সকল তোমালোকেও তেখেতৰ প্ৰতি দৰূদ আৰু বেছি বেছিকৈ (وَسَلِّمُوْا) ছালাম পাঠ কৰা।" (আ'লা হযৰত ইমাম আহমদ ৰেজাখাঁৰ কান্‌জুল ঈমান শ্বৰীফ)

দৰূদ পাঠৰ দ্বাৰা সৰ্বসাধাৰণে যে লাভান্বিত হয় এনে নহয় বৰং নবী (আঃ)সকলেও হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ প্ৰতি দৰূদ শ্বৰীফ পাঠ কৰিছিল। হযৰত আদম (আঃ)এ নিকাহৰ সময়ত প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ওপৰত দৰূদ শ্বৰীফ পাঠ কৰিছিল। (তফ্ছীৰে ছাৱী, ১ম খণ্ড, মাদাৰিজুন্নুবুওৱাত) স্বয়ং আল্লাহ পাকে তেওঁৰ হবীবৰ কাৰণে দৰূদ শ্বৰীফ পঢ়িবলৈ হযৰত মুছা (আঃ)ৰ প্ৰতি ৱহী নাজীল কৰিছিল। (মাকাছিফ্‌তুল কুলুব, আফ্দ্বালুচ স্বালাত) আহক আমিও দৰূদ শ্বৰীফ পঢ়াৰ দ্বাৰা আমাৰ জীৱন সাৰ্থক কৰোঁ।

১। <u>দৰূদ ইছমে আজম</u> ঃ আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা নাস্‌নু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা। (এই দৰূদ শ্বৰীফ ১০০ বাৰ দৈনিক পঢ়াৰ অভ্যাস কৰক দ্বীন দুনীয়াৰ সকলো কামত নিশ্চিতভাৱে সফলতা লাভ কৰিব।)

২। <u>দৰূদ নূৰ</u> ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা মুসাম্মাদিন নূৰিল আন্‌ৱাৰি ৱা ছাৰ্‌ৰিল আছ্‌ৰাৰি ৱা ছায়্যিদিল আব্‌ৰাৰ।

৩। <u>দৰূদ গাউছীয়া</u> ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ৱা মাওলানা





মুসাম্মাদিন মা'দিনিল যুদি ৱাল কাৰাম ৱা আলিহি ৱা বাৰিক ৱা ছাল্লিম।

৪। <u>দৰূদ যামালী</u> ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা মুসাম্মাদিও ৱা আ'লা আলিহি বিক্বাদ্‌ৰি সুছ্‌নিহি ৱা যামালিহি। (হযৰত হাছান বিন্ আ'লী (ৰাঃ)এ ইৰ্শ্বাদ কৰে- "যিয়ে কোনো পেৰেছানী (মুছীবত)ত পতিত হয়, তেওঁ এই দৰূদ শ্বৰীফ হাজাৰ বাৰ মুসাব্বতৰ সৈতে পাঠ কৰি দুআ' কৰিব আল্লাহ পাকে তেওঁৰ সকলো ধৰণৰ মুছিবত দূৰ কৰি দিব।)

৫। <u>৮০ বছৰ গুণাহ মাফ হোৱাৰ দৰূদ</u> ঃ আল্লাহুম্মা স্বাল্লি আ'লা মুসাম্মাদিন নাবীয়্যীল উম্মীয়ী ৱা আ'লা আলিহি ৱা বাৰিক ছাল্লিম। (হযৰত ছহল বিন আ'ব্দুল্লাহ (ৰাঃ)ৰ পৰা বৰ্ণিত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ কৰে-"যি ব্যক্তিয়ে যুমুআ'হৰ দিনা আচৰৰ নামাজ বাদ এই দৰূদ ৮০ বাৰ পাঠ কৰিব তেখেতৰ ৮০ বছৰৰ গুণাহ মাফ কৰি দিয়া হ'ব।)

৬। <u>দৰূদ মাগ্বফিৰাত</u> ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছায়্যিদিনা ৱা মাওলানা মুসাম্মাদ, ৱা আ'লা আলিহি ৱা বাৰিক ৱা ছাল্লিম। (এই দৰূদ শ্বৰীফ পঢ়িলে তৎক্ষণাত গুণাহ মাফ হৈ যায়।)

৭। <u>দৰূদ খিজ্‌ৰী</u> ঃ স্বাল্লাল্লাহ আ'লা সাবীবিহি মুসাম্মাদ ৱা আলিহি ৱা বাৰাকা ৱা ছাল্লামা। (এইটো এনেকুৱা দৰূদ শ্বৰীফ যাক পাঠ কৰিলে ৰছুলুল্লাহ (স্বাঃ)ৰ ৰৌজা মুবাৰক যিয়াৰত নছীব হয়, ইচ্ছাবিলাক পূৰ হয়, মুসাব্বত প্ৰকৃততে বৃদ্ধি হৈ থাকে।)

**ছুন্নী মুছলমানৰ বাবে দ্বীন-দুন্‌য়াৰ সফলতাৰ বাবে বিশেষ দৰূদ শ্বৰীফঃ**

'স্বাল্লাল্লাহু আ'লান নাবীয়্যীল উম্মীয়ি ওৱা আলিহি স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লাম, স্বালাতাও ওৱা ছালামান আ'লাইকা ইয়া ৰাছুলাল্লাহ।'

যুমুআ'হ নামাজৰ বাদত জামাআ'তৰ সৈতে মদীনা তৈয়্যিবাৰ ফালে মুখ কৰি আদবৰ সৈতে থিয় হৈ ১০০ বাৰ পঢ়িব পাৰে। যি ঠাইত যুমুআ'হ নহয় যুমুআ'হৰ দিনা ৰাতিপুৱাৰ নামাজ বা জহৰ আচৰৰ বাদ পঢ়ক। অকলে থাকিলে অকলশৰীয়াকৈ পঢ়িব পাৰে। আনকি মহিলা সকলে নিজৰ নিজৰ ঘৰতো পঢ়িব পাৰে। ইয়াৰ ৪০টা ফায়দা আছে যি স্বহীহ হাদীচৰ পৰা চাবিত আছে। ইয়াত নমুনা হিচাপে কিছু বৰ্ণনা কৰা হৈছে। যি ব্যক্তিয়ে ৰছুলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লামৰ সৈতে মুসাব্বত ৰাখিব, যিয়ে তেওঁ (স্বাঃ)ৰ শ্বানত বেআদবী কৰা সকলৰ পৰা, তেওঁ (স্বাঃ)ৰ জিক্‌ৰ বন্ধ কৰা সকলৰ পৰা দূৰত থাকিব, এনে কোনো মুছলমানে যদি পঢ়ে তেওঁ অসংখ্য চাৱাবৰ অধিকাৰী হ'ব। কলেবৰৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত কেইটামানহে বৰ্ণনা কৰা

pdf By Syed Mostafa Sakib





হ'ল-(১) তেওঁৰ ওপৰত ৩০০০ ৰহমত অৱতীৰ্ণ হ'ব। (২) তেওঁৰ ওপৰত ২০০০ ছালাম পঠিয়াব। (৩) ৫০০০ নেকী তেওঁৰ আ'মল নামাত লিখা হ'ব। (৪) ৫০০০ গুণাহ মাফ কৰি দিয়া হ'ব। (৫) তেওঁৰ বাবে ৫০০০ দৰ্জা বুলন্দ (উচ্চস্তৰ) কৰি দিয়া হ'ব। (৬) তেওঁৰ কপালত লিখি দিয়া হ'ব সেইজন বান্দা নিফাক্বৰ পৰা মুক্ত। (৭) আৰু লিখি দিয়া হ'ব তেওঁ দোজখৰ জুইৰ পৰা মুক্ত। (৮) ক্বিয়ামতৰ দিনা তেওঁক শ্বহীদ সকলৰ লগত ৰখা হ'ব। (৯) তেওঁৰ মাল সম্পত্তিত বৰকত হ'ব। (১০) তেওঁৰ সন্তান আৰু সন্তানৰ সন্তান সকলৰ ওপৰতো বৰকত হ'ব। (১১) দুচমন (শত্ৰু)ৰ পৰা মুক্তি পাব। (১২) কোনোবা দিনা সপোনত হুজুৰ পাক(স্বাঃ)ৰ যিয়াৰত নছীব হ'ব। (১৩) ঈমানৰ সৈতে মৃত্যু হ'ব। (১৪) ক্বিয়ামতৰ দিনা ৰছূলুল্লাহ (স্বাঃ), চাহাবা ক্বিৰাম (ৰাঃ) সকলে মোছাফাহ কৰিব। (১৫) ৰছূলে পাক (স্বাঃ)ৰ শ্বাফাআ'ত তেওঁৰ বাবে ৱাজিব হ'ব। (১৬) আল্লাহ পাকতেওঁৰ ওপৰত এনেকুৱাকৈ ৰাজী হ'ব আৰু কেতিয়াও তেওঁৰ ওপৰত অসন্তুষ্ট নহ'ব। আমাৰ বাবে সৌভাগ্যৰ কথা যে আ'লা ( اعلى ) হযৰত (ৰহঃ)এ এই দৰূদ শ্বৰীফটি সমূহ ছুন্নী মুছলমানক পঢ়িবলৈ ইজাজত ফৰ্মাইছে। যাতে আমি বৰ্তমান সময়ৰ ফিত্‌নাৰ পৰা বাচিব পাৰো।

# ছুন্নীয়াত প্ৰতিষ্ঠাৰ বাবে কেইটামান তৰতীব

পৃথিৱীত যিমান মছজিদ আছে তাৰে প্ৰায় সকলোবোৰেই আহ্‌লে ছুন্নত ওৱাল জামাআ'তৰ ফালৰ পৰা প্ৰতিষ্ঠা কৰা হয়। কিন্তু মাজভাগত পাবত গজা, পথভ্ৰষ্ট, বিদ্‌আ'তী ফিৰক্বাহ কিছুমানে কিছু মছজিদ নিজৰ অধীনলৈ নি এই মছজিদ সমূহত সিহঁতৰ নতুন মতবাদ প্ৰচাৰৰ কেন্দ্ৰ (centre)কৰি গঢ়ি তোলে। ফলত ইছলামী সমাজত এক বিশৃঙ্খল পৰিৱেশৰ সৃষ্টি হয়। যিহেতু ছুন্নীসকলৰ ৰাজধানী মছজিদ গতিকে এই ৰাজধানী (মছজিদ)ক বাত্বিল দলৰ সকলো প্ৰকাৰৰ চক্ৰান্তৰ পৰা বচাই ৰাখিবলৈ তলৰ আ'মল কেইটা কৰোঁ আহক। ইন্‌শ্বাআল্লাহ ছুন্নীয়াত প্ৰতিষ্ঠা হ'ব, আপুনি চাৱাবৰ অংশীদাৰ হ'ব।

১। যিহেতু বৰ্তমান প্ৰত্যেক মছজিদতেই মাইকৰ ব্যৱস্থা আছে গতিকে মগ্ৰীবৰ নামাজৰ বাহিৰে প্ৰত্যেক নামাজৰ আজানৰ পিছত ইক্বামতৰ পূৰ্বে ছালাত-ছালাম পাঠ কৰক। যেনে- 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া ৰাছূলাল্লাহ', 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া হাবীবাল্লাহ', 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নাবীয়াল্লাহ', 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নূৰাম্ মিন্ নূৰিল্লাহ'। 'বালাগাল উ'লা বিকামালিহী, কাশাফাদ্দুজা বিজামালিহী, হাছুনাত জামীউ' সিস্বালিহী স্বাল্লু







আ'লাইহি ৱা আলিহি।' ফিক্বাহৰ কিতাপত এই ছালাতক তাছ্‌বীব বোলা হয়। (দুৰ্ৰে মুখ্‌তাৰ, পৃঃ ৩৯০)

২। তক্‌বীৰৰ সময়ত মুকাব্বিৰে যেতিয়ালৈকে 'হাইয়্যা আ'লাচ স্বালাহ' নকয় তেতিয়ালৈকে মোক্তাদীসকল বহি থাকিব আৰু যেতিয়া 'হাইয়্যা আ'লাচ স্বালাহ' ক'ব তেতিয়া উঠিব। তকবীৰ থিয় হৈ শুনা মক্ৰুহ। আনকি তক্‌বীৰৰ সময়ত কোনো আহিলে বহিব। এয়া হুজুৰ পাক (স্বাঃ)ৰ ছুন্নত। (মিশ্বকাত শ্বৰীফ, পৃঃ ৬৪, ফত্‌ৱা আ'লমগীৰী, পৃঃ ১/৫৭)

৩। পাঁচ ওৱাক্ত নামাজৰ ছালাম ফিৰোৱাৰ পিছত ইমামসকলে সোঁ-দিশে অথবা বাঁও দিশে ঘূৰি বহিব। সোঁফালে ঘূৰি বহাটো উত্তম। ওৱাহাবী-দেওবন্দী সকলে কেৱল ফজৰ আৰু আচৰৰ সময়ত ঘূৰি বহে। হযৰত ছামূৰাহ ইব্‌নে জুন্দুব(ৰাঃ)ই কৈছে— "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে যেতিয়া নামাজ শেষ কৰিছিল তেতিয়া তেওঁ (স্বাঃ) আমাৰ ফালে ঘূৰি বহিছিল।" (বুখাৰী শ্বৰীফ)

৪। পাঁচ ওৱাক্ত নামাজত আজান মুখেৰে হওঁক বা মাইকেৰেই হওঁক মছজিদৰ বাহিৰত দিব আনকি যুমুআ'হৰ দিনা খোত্‌বাৰ আজানো মছজিদৰ বাহিৰ (দৰ্জাৰ সন্মুখৰ)ৰ পৰা দিব, ই ছুন্নত। ফুক্বাহায়ে কিৰামে মছজিদৰ ভিতৰত আজান দিয়া মানা কৰিছে। ফতৱা ক্বাজী খান, ১ম খণ্ড, পৃষ্ঠা- ৭৮; ফাতাৱা আ'লমগীৰী (মিচ্‌ৰী) ১ম খণ্ড, পৃষ্ঠা-৫৫; বাহাৰুৰ ৰাইক, ১ম খণ্ড, পৃষ্ঠা- ২৬৮ত আছে لا يؤذن فى المسجد অৰ্থাৎ- "মছজিদৰ ভিতৰত আজান দিব নালাগে।" মছজিদৰ ভিতৰত আজান দিয়া মক্ৰুহ।

৫। আজানত হুজুৰ পাক (স্বাঃ)ৰ নাম শুনি দুই বৃদ্ধ আঙুলি চুম্বন কৰি চকুত বুলাই দিব। মাত্ৰ যুমুআ'হৰ খোত্‌বাৰ আজানৰ সময়ত এইটো নকৰিব। ওৱাজ-নচিহত, মীলাদ মাহ্‌ফিল সকলোতে হুজুৰ পাক (স্বাঃ)ৰ নাম শুনিলে ওপৰত উল্লেখ কৰা ধৰণে কৰিব। ৰদ্দুল মুহ্‌তাৰ, ১ম খণ্ড, পৃষ্ঠা ২৬৭ত আছে- "যেতিয়া (আজানত) প্ৰথমবাৰ "আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছূলুল্লাহ" (স্বাঃ) কয় তেতিয়া "স্বাল্লাল্লাহু আ'লাইকা ইয়া ৰাছূলাল্লাহ" (স্বাঃ) পঢ়িব। ২য় বাৰ কওঁতে বুঢ়া আঙুলিৰ নখ (চুমা খাই তাক) চকুৰ ওপৰত ৰাখি "ক্বুৰ্ৰাতু আ'ইনী বিকা মুহাম্মাদ ইয়া ৰাছূলাল্লাহ (স্বাঃ)"পঢ়ি পিছত "আল্লাহুম্মা মাত্তিঅ'নী বিচ্-চাম্‌ঈ ৱাল বাস্বাৰ" ক'ব। সেই ব্যক্তিক ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লামে যান্নাতৰ ফালে ৰাস্তা দেখুৱাব। উপৰোক্ত কামসমূহ সম্পূৰ্ণ হাদীচ সন্মত।

৬। প্ৰতিটো মছজিদতেই মীলাদ-ক্বিয়ামৰ ব্যাপকভাৱে আয়োজন কৰক।

pdf By Syed Mostafa Sakib



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "যি ব্যক্তিয়ে জানি বুজি অৱজ্ঞা কৰি এক ৱাক্ত নামাজ ত্যাগ কৰিলে সেইজন ব্যক্তি কাফিৰৰ দলত অন্তৰ্ভুক্ত হ'ল।" }

বিশেষকৈ ফজৰ আৰু যুমুআ'হ নামাজৰ পাছত মুখেৰে অথবা মাইক থাকিলে মাইকেৰে ছালাম পাঠ কৰক। ওৱাহাবীৰ বিপক্ষে ই এটা মাৰণাস্ত্ৰ। মছজিদৰ ভিতৰত দুনীয়াদাৰী কথা-বতৰা পতা, শোৱা আদি নকৰিব।

৭। প্ৰতিটো মছজিদত 'ফাইজ্বানে ছুন্নত' পঢ়াৰ ব্যৱস্থা কৰক। সপ্তাহত অন্ততঃ দুই বা এদিন কুৰ্‌আন পাকৰ তৰ্জমা- তফ্‌ছীৰৰ বাবে 'কানজুল ঈমান ফী খাজাইনুল ইৰ্‌ফান' পঢ়াৰ ব্যৱস্থা কৰক আৰু মাছ্‌ইলৰ বাবে 'বাহাৰে শ্বৰীঅ'ত', 'কানুনে শ্বৰীঅ'ত' 'যা-আল হাক্ক' পঢ়াৰ ব্যৱস্থা কৰক। (উল্লেখিত কিতাপকেইখন বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব পাৰে হুদা কেপ এণ্ড বুক ষ্ট'ৰ, বি.আৰ ৰোড, মঙলদৈ- ৯৮৫৪২৫৭৯৪৯, ৯৬১৩৮২২৬৯২)

## ছুন্নী লাইব্ৰেৰী প্ৰতিষ্ঠা কৰোঁ আহক

সাম্প্ৰতিক সময়ত বাত্বিল ফিৰকাহ সমূহে সমাজত প্ৰভূত পৰিমাণে বিস্তাৰ লাভ কৰিছে। সেয়ে বৰ্তমান সময়ত নিজৰ ঈমান আৰু আক্বীদাহ শুদ্ধ পথত বচাই ৰাখিবৰ কাৰণে আমি প্ৰত্যেকেই ঘৰতেই হওঁক বা মছজিদতেই হওঁক নিম্নলিখিত গ্ৰন্থ সমূহৰ এটি লাইব্ৰেৰী প্ৰতিষ্ঠা কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে। গ্ৰন্থ সমূহৰ এখন তালিকা দিয়া হ'ল— ১। 'তাব্‌লিগী জামায়াতেৰ গুপ্ত ৰহস্য', ২। 'ফায়জানে ছুন্নত', ৩। 'তাফ্‌ছীৰে কান্‌জুল ঈমান', ৪। 'বাহাৰে শ্বৰীঅ'ত', ৫। 'কানুনে শ্বৰীঅ'ত', ৬। 'যা-আল হাক্ক', ৭। 'শ্বানে হবিবুৰ ৰহমান', ৮। 'আনোৱাৰে শ্বৰীঅ'ত', ৯। 'ছুন্নী বেহেস্তী জেওৰ', ১০। 'মুচ্‌নাদে ইমাম আ'যম', ১১। 'তাফ্‌ছীৰে নাঈমী', ১২। 'তাম্‌হীদে ঈমান।', ১৩। 'ছীৰাতে মুস্তাফা।'

ওপৰোক্ত গ্ৰন্থসমূহ বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব পাৰে হুদা কেপ এণ্ড বুক ষ্টোৰ, বি. আৰ ৰোড মঙলদৈ- ৯৮৫৪২৫৭৯৪৯, খাৰুপেটীয়া বুক হাউচ, খাৰুপেটীয়া।

ঘোষণা ঃ 'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ), মুছলিমঘোপা, দৰংএ ইতিমধ্যে ভালেকেইখন ইছলামী গ্ৰন্থ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত পৰৱৰ্তী গ্ৰন্থসমূহ প্ৰকাশৰ বাবে 'ৰাজা ফাউণ্ডেশ্বন'ৰ প্ৰযত্নে আৰ্থিক সাহায্য আগবঢ়াবলৈ ইছলামপ্ৰেমী সামৰ্থবান ধনী ব্যক্তিসকলক এক বিনম্ৰ অনুৰোধ জনোৱা হ'ল। যোগাযোগৰ বাবে ফোন নং— ৯৮৫৯৩৯৩৬৩৮, ৯৮৬৪৮০৮৬৭৭





## আ'লা হযৰত ইমামে আহ্‌লে ছুন্নত শ্বাহ ইমাম আহমদ ৰেজাখাঁ ক্বাদৰী(ৰহঃ)ৰ কেইটামান গুৰুত্বপূৰ্ণ নম্বিহত—

ছুন্নীয়াত প্ৰচাৰ-প্ৰসাৰৰ বাবে আ'লা হযৰত (ৰহঃ)এ কেইটামান জৰুৰী কৰ্মসূচীৰ কথা কৈছে। আল্লাহৰ ৱাস্তে আপুনি সামৰ্থনুযায়ী কমপক্ষে এটি কৰ্ম বাস্তৱায়িত কৰাৰ চেষ্টা কৰক।

১। ডাঙৰ ডাঙৰ মাদ্ৰাছা প্ৰতিষ্ঠা কৰিব লাগিব আৰু সেইসমূহত যথাযথ নিয়মে পঢ়াশুনা চলাই ৰাখিব লাগিব। ছাত্ৰ সকলক আৰ্থিক সাহায্য দিব লাগিব যাতে তেওঁলোকৰ মাজত প্ৰেৰণা আহে।

২। মুদাৰ্ৰিচ সকলক খিদ্‌মতৰ গুণাগুণ অনুসৰি উপযুক্ত বেতন দিব লাগিব।

৩। ছাত্ৰসকলক মানসিকতাৰ পৰীক্ষা কৰিব লাগিব আৰু যিজন যেনেকুৱা কামৰ কাৰণে উপযুক্ত তাক সেই কামত লগাই দিব লাগিব।

৪। ছাত্ৰ সকলৰ মাজত যিসকল প্ৰস্তুত থাকে বিভিন্ন দেশলৈ সিহঁতক প্ৰেৰণ কৰিব লাগিব যাতে তেওঁলোকে তাত গৈ লেখনী, বক্তৃতা, ওৱাজ নম্বিহতৰ মাধ্যমত আৰু মুনাজাৰাহ কৰি দ্বীন আৰু মযহবৰ কাম কৰিব পাৰে।

৫। ভাল ভাল লেখক সকলক আৰ্থিক সাহায্য দি মযহবৰ সমৰ্থনত বদ মযহবৰ বিৰোদ্ধে উত্তম ৰূপত কিতাপ পত্ৰ লেখাৰ লাগিব। পুৰণা আৰু নতুনকৈ লেখা কিতাপসমূহ সুন্দৰ আৰু মনোৰম ৰূপত ছপাই বিনা মূল্যে বিতৰণ কৰিব লাগিব।

৬। আপোনালোকৰ পত্ৰ-পত্ৰিকা প্ৰকাশ হৈ থাকিব লাগিব ঠিক সময়ত মযহবী লেখাসমূহ দেশৰ চাৰিওফালে মূল্য নোলোৱাকৈ প্ৰত্যেক দিন অথবা প্ৰত্যেক সপ্তাহত পঠাই থাকিব লাগিব। হাদীচ পাকত আছে- "শেষ যুগত দিৰহাম আৰু দিনাৰৰ দ্বাৰা দ্বীন চলি থাকিব।" যিহেতু সত্যবাদী নবী (স্বাঃ)ৰ সত্যবাদী কথা সেয়ে এই কথা বাস্তব হ'বই।

৭। যিসকল উপযুক্ত ব্যক্তি আছে আৰু নিজৰ জীৱিকাৰ ফিকিৰত আছে তেওঁলোকক আৰ্থিক সাহায্য দি উপযুক্ত কামত লগাব।

৮। প্ৰত্যেক চহৰত আপোনালোকৰ লোক নিযুক্ত থাকিব। যিয়ে তাৰ অৱস্থাৰ ওপৰত চকু ৰাখিব। য'ত যেনেধৰণৰ প্ৰয়োজন হ'ব- বক্তৃতা, কিতাপ-পত্ৰ আৰু মুনাজাৰাহ আদি বিষয়ে অৱগত কৰিলে দ্বীনৰ দুচমনৰ মুকাবিলাৰ বাবে প্ৰয়োজনীয় পত্ৰ-পত্ৰিকা আৰু আলীম প্ৰেৰণ কৰিব। **(ফতৱা ৰিজৱীয়্যাহ শ্বৰীফ, খণ্ড- ১২, পৃঃ ১৩৩)**

## নাতে ৰছূল (স্বাঃ) ঃ নবী প্ৰশস্তি



### ছালামে ৰাজা

মুস্তাফা জানে ৰস্‌মত পে লাখোঁ ছালাম।
শ্বমএ' বয্‌মে হিদায়াত পে লাখোঁ ছালাম।।
মেহ্‌ৰে চোৰখে নবুওৱত পে ৰৌশ্বন দৰূদ।
গোলে বাগে ৰিছালত পে লাখোঁ ছালাম।।
শ্বেহ্‌ৰে য়াৰে ইৰম্ তাজুদাৰে হাৰম্।
নৌবাহাৰে শ্বাফাআ'ত পে লাখোঁ ছালাম।
শ্বমে আশ্বৰা কে দুল্‌হা পে দাঈমে দৰূদ।।
নৌশ্বাহে বায্‌মে যান্নাত পে লাখোঁ ছালাম।
আৰশ্বৃতা ফৰশ্ব হে জিছ্‌কে যেৰে নাগী।
উছ্‌কি কাহিৰ ৰিয়াছত পে লাখোঁ ছালাম।।
ফৎ হে বাবে নবুওৱত পে বেহদ্ দৰূদ
খত্‌মে দৌৰে ৰিছালত পে লাখোঁ ছালাম
লাইলাতুল ক্বাদ্‌ৰি মে মাত্‌লাঈ'ল ফজ্‌ৰে হক্।
মাংগ কি ইস্তিকামত পে লাখোঁ ছালাম।।
দূৰ ও নয্‌দীক্ কে চুন্‌নেৱালে ৱ' কাণ।
কাণে লালে কাৰামত পে লাখোঁ ছালাম।।
জিছ্‌কে মাথে শ্বাফাআ'ত কা চেহ্‌ৰা ৰাহা।
উচ্ জাবীনে ছাআ'দত পে লাখোঁ ছালাম।।
জিছ্‌কে ছাজ্‌দেকো মেহ্‌ৰাবে কা'বা ঝুকি।
উন্ ভাওঁকী লাটাফৎ পে লাখোঁ ছালাম।।
জিছ্ তৰফ্ উঠ গেয়ী দম্ মে দম্ আগেয়া।
উচ্ নিগাহে ইনায়ত পে লাখোঁ ছালাম।।
জিচ্‌ছে তাৰীক দিল জগ্ মগানে লাগে।
উচ্ চমক্ ৱালী ৰংগত পে লাখোঁ ছালাম।।
পাত্‌লি পাত্‌লি গুলে কুদ্‌ছিকি পাতিয়াঁ।
উন্ লবো কি নাজাকাত পে লাখোঁ ছালাম।

*আ'লা হযৰত ইমামে আহ্‌লে ছুন্নত আ'ল্লামা আলহাজ আলহাফিজ শ্বাহ আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী(ৰহঃ)ৰ 'হাদায়িকে বখ্‌শ্বিচ', খণ্ড-২, পৃষ্ঠা- ১৩১*

pdf By Syed Mostafa Sakib

## লেখকৰ প্ৰকাশিত গ্ৰন্থসমূহ ঃ

১। আল্ যা-মিআ'তুল ইছলামীয়্যাহ নূৰীয়্যাহ মাদ্ৰাছা, খাৰুপেটীয়া, দৰঙৰ অনুষ্ঠান বিৱৰণী পুস্তিকা সম্পাদনা ( ২০১০ খ্ৰীঃ)
২। কুৰ্আন-হাদীচৰ আলোকত ইল্মে গ্বায়বৰ আক্বীদাহ (ডিচেম্বৰ, ২০১২ খ্ৰীঃ)
৩। ইছলামত সংস্কাৰবাদ (ফেব্ৰুৱাৰী, ২০১৩ খ্ৰীঃ)
৪। ঈদে মীলাদুন্নবী (স্বাঃ) তৰ্জমা (অক্টোবৰ, ২০১৩ খ্ৰীঃ)
৫। তব্লীগ জামাআ'ত (ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীঃ)
৬। উত্তৰ জীৱনজ্যোতি আৰু অন্যান্য, প্ৰথম খণ্ড (এপ্ৰিল, ২০১৪ খ্ৰীঃ)
৭। মাছাইল ৱা ফাজ্বাঈলে স্বালাতুল যানাঝা ৱা গ্বাইৰহ (আগষ্ট, ২০১৪ খ্ৰীঃ)

## পত্ৰিকাসমূহ ঃ

হাদীচ আৰু ফুক্বাহা কিৰামৰ আলোকত বেনামাজীৰ শাস্তি, পবিত্ৰ দৰূদ শ্বৰীফৰ আ'মল, হুজুৰ পাক (স্বাঃ)ৰ মুঅ'জিজা মুবাৰক, যা-আল হাক্ব, দেওবন্দৰ পৰা বেৰেলীলৈ মতবিৰোধ কিয় ?, আ'লা হযৰত (ৰহঃ)ৰ অপবাদৰ স্পষ্টীকৰণ, দেওবন্দী সকলৰ অপপ্ৰচাৰত বিভ্ৰান্ত নহ'ব, হুজুৰ পাক (স্বাঃ)ৰ অমিয় বাণী, ডাঃ জাকিৰ নাঈক কিয় কাফিৰ নহ'ব ? ফুৰফুৰাৰ পীৰ আৰু বৰ্তমান অৱস্থা- ১
ইয়াৰ উপৰিও 'অসমীয়া খবৰ', 'দৈনিক অগ্ৰদূত', 'নিয়মীয়া বাৰ্তা', 'দৈনিক গণ অধিকাৰ', 'মুক্তকণ্ঠ' আদি কাকতৰ লগতে বিভিন্ন আলোচনী-পত্ৰিকাত তথ্যগধূৰ লেখা প্ৰকাশ হৈছে।




প্ৰকাশক ঃ
'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
পিন- ৭৮৪১৪৫
ভ্ৰাম্যভাষ- ৯৮৫৯৩৯৩৬৩৮, ৯৮৬৪৮০৮৬৭৭




مسائل وفضائل صلوة الجنازه وغيره





# মাছাইল ৱা ফাজ্বাঈলে স্বালাতুল যানাঝা ৱা গ্বাইৰহ



Pdf By Syed Mostafa Sakib




محمد فاروق عبدالله نوری
সম্পাদনা
মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী